গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া বিভাগৰ
সন্মান পাঠ্যক্ৰমৰ ষষ্ঠ ষাণ্মাসিকত প্ৰবৰ্তন কৰা প্ৰশ্নকাকত ASM-HE-6056
বাবে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প

**গৱেষণা প্ৰকল্পৰ বিষয়ঃ** অসমৰ সত্ৰীয়া সংস্কৃতিত ছমৰীয়া সত্ৰ, ইয়াৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰা


তত্বাবধায়ক ঃ
ড° লোহিত ৰাভা

প্ৰস্তুতকৰ্তা ঃ
পূৰবী দাস
ৰোল নং ঃ UA-201-007-0058
ৰেজিষ্ট্ৰেছন নং ঃ 20002345

ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়
অসমীয়া বিভাগ



Chhamaria Anchalik College
Estd.-1994
Department of Assamese

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া বিভাগৰ
সন্মান পাঠ্যক্ৰমৰ ষষ্ঠ ষাণ্মাসিকত প্ৰবৰ্তন কৰা প্ৰশ্নকাকত **ASM-HE-6056**
বাবে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প

**গৱেষণা প্ৰকল্পৰ** বিষয়ঃ অসমৰ সত্ৰীয়া সংস্কৃতিত ছমৰীয়া সত্ৰ, ইয়াৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰা

Marks given by External Examiner:
Marks given by Internal Examiner:
Viva & Presentation:
Total Marks:

27/5/2023
**Signature of External Examiner**

**Signature of Internal Examiner**
27/05/2023

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

# স্বীকাৰোক্তি

মই পূৰৱী দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক কলা শাখাৰ তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ ৬০৫৮ নং কাকতৰ অন্তৰ্গত বিষয় হিচাপে "অসমৰ অসমীয়া সংস্কৃতিত ছমৰীয়া সত্ৰ, ইয়াৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰা" শীৰ্ষক গৱেষণা প্ৰকল্পখনি ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° লোহিত কাজ ছাৰৰ তত্বাৱধানত সম্পন্ন কৰিলোঁ। এই গৱেষণা প্ৰকল্পখন প্ৰস্তুত কৰোঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সকলো নীতি-নিৰ্দেশনা মানি চলা হৈছে। এই কথা বিনম্ৰভাৱে স্বীকাৰ কৰো এই গৱেষণা প্ৰকল্পখন কোনো অনুষ্ঠানৰ ডিগ্ৰী ডিপ্লমা পাবৰ বাবে জমা দিয়া হোৱা নাই।

পূৰৱী দাস
স্বাক্ষৰ

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik Colle

"অসমৰ সত্ৰীয়া সংস্কৃতিত
ছমৰীয়া সত্ৰ,
ইয়াৰ ঐতিহ্য আৰু
সাংস্কৃতিক পৰম্পৰা"

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College



Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

# সূচীপত্ৰ

প্ৰথম অধ্যায়ঃ

অৱতৰণিকা
অধ্যয়নৰ উদ্দেশ্য
অধ্যয়নৰ গুৰুত্ব
অধ্যয়নৰ পদ্ধতি
পূৰ্বকৃত বিষয়ৰ অধ্যয়ন
কৃতজ্ঞতা স্বীকাৰ

দ্বিতীয় অধ্যায়ঃ

দক্ষিণ কূলীয়া শ্ৰী শ্ৰী বৰবিষ্ণু
আতা ছমৰীয়া সত্ৰৰ সাধাৰণ আলোচ

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

ছমৰীয়া অঞ্চলৰ ভূ- সম্পত্তি
ছমৰীয়া অঞ্চলৰ বিষয়ববীয়াসকল
ছমৰীয়া অঞ্চলৰ বিভিন্ন লোকাচাৰ
বা লোকবিশ্বাসসমূহ, যেনে —
ছমৰীয়া অঞ্চলৰ সামাজিক লোকাচাৰ,
জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰ
ছমৰীয়া অঞ্চলত প্ৰচলিত বিভিন্ন
উৎসৱ অনুষ্ঠান; যেনে- সজে মহোৎসৱ,
দৌল উৎসৱ, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী,
শংকৰ উৎসৱ, গুৰু দুজনাৰ
তিৰোভাৱ তিথি, মাঘ বিহু আদি।

তৃতীয় অধ্যায়ঃ

সংগ্ৰহ কৰা পুৰণি তথ্য
আসমৰ্ণ
গ্ৰন্থপঞ্জী, সংবাদ দাতা

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ০.০ অৱতৰণিকা :-

"পূৰ্ব্বত গোবিন্দপুৰ নাম আছিলন্ত ।
চাম গছে ছমৰীয়া নাম যে হৈলন্ত ॥"
(গুৰু চৰিত)

ধৰ্ম্মগুৰু মহাপুৰুষ মাধৱদেৱৰ নিৰ্দেশমৰ্মে প্ৰাচীন গোবিন্দ পুৰৰ বুকুতে আনুমানিক ১৫৮০ চনত শ্ৰী শ্ৰী বৰবিষ্ণু আতাই ঠাইখনৰ নাম "ছমৰীয়া" ৰাখি "ছমৰীয়া সত্ৰ" স্থাপন কৰে ।

প্ৰাচীন গোবিন্দপুৰ নামৰ উৎপত্তি সম্পৰ্কে ঐতিহাসিক বিশেষ সমল পোৱা নাযায় । সেই সময়ত প্ৰচলিত কেইটি প্ৰাচীন কিংবদন্তিৰ আধাৰত ভেৰ দি গোবিন্দপুৰৰ নামৰ উৎপত্তি সম্পৰ্কে বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছোঁ । যেনেকৈ শ্ৰী কৃষ্ণই নৰকক বধ কৰিবলৈ অহাৰ বৰ্ণনা বৰবিষ্ণু আতাৰ চৰিতত এনেদৰে আছে —

"মহা প্ৰলয়ত মহা বট যে আছিল ।
সেহি বৃক্ষে আসি চাম বৃক্ষ উপজিল ॥

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

নৰকক কৃষ্ণে মেৰে বধিবাক যান্ত ।
ব্ৰহ্মি চাম বৃক্ষে কৃষ্ণদেৱে চৰিলন্ত ॥
গৰুড় সত্যভামা কৃষ্ণ বহি তিনিজন ।
পাঞ্চজন্য শংখ কৃষ্ণে ফুকন্ত সঘন ॥[৪]

ভগবান গোবিন্দ প্ৰভুৰ পদৰেণুৰে ধন্য হোৱা স্থানৰ গুৰুত্ব উপলব্ধি কৰিয়েই ইয়াৰ বাসিন্দা-সকলে ঠাইখনৰ নাম 'গোবিন্দপুৰ' ৰখা বুলি ধাৰণা কৰিব পাৰি ।

আৰু এটা জনশ্ৰুতিমতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ওচৰত শৰণ লোৱা আৰো সম্প্ৰদায়ৰ 'গোবিন্দ' নামৰ লোক এজন এই ঠাইৰ নিকটবৰ্ত্তী শোলা গাঁৱত বাস কৰিছিল । এইজনা গোবিন্দ আতৈৰ প্ৰভাৱতে ঠাইখনৰ নাম গোবিন্দপুৰ হোৱা বুলি ধাৰণা কৰিব পাৰি ।

যিয়েই নহওঁক গোবিন্দপুৰেই কালক্ৰমত চুমৰীয়া হ'লগৈ ।

জগত গুৰু শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্ত্তন কৰা ধৰ্মটোৰ নাম হ'ল একশৰণ নাম ধৰ্ম । নৱ বৈষ্ণৱ ভক্তি আন্দোলনৰ সময়ছই এই ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ৰজা-প্ৰজা অনেকেই সহায় কৰিছিল যদিও মহাপুৰুষ মাধৱদেৱ গুৰু জনাই আছিল অদ্বিতীয় ।
তাৰ উপৰিও ন জনা আতা বুলিলে শ্ৰীৰামআতা,

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

দক্ষিণ কূলীয়া বৰবিষ্ণু আতা, মথুৰা দাস বুঢ়া আতা, পদ্ম আতা বা বদলা আতা, জেটো কুছীয়া কেশৱচৰণ আতা, ভৱানী পুৰীয়া গোপাল আতা আৰু নাৰায়ণ দাস ঠাকুৰ আতা ।

গুৰুজনাৰ আদেশ শিৰোধাৰ্য্য কৰি বৰবিষ্ণু আতাই কাহিমি ত্যাগ কৰি গোবিন্দপুৰলৈ তথা ভূমুৰীয়াত সত্ৰ স্থাপন কৰে । মাধৱ গুৰুজনাই নিজে ৰোপণ চাম গছৰ মহিমাৰ বিষয়ে ইংগিত দিছিল সেই ৰোপণ গছৰ মূঢ়াৰ ওপৰত অক্ষয় বন্তি প্ৰজ্বলন কৰে, ঘি গছি অক্ষয় বন্তি আজি চাৰিশ বছৰৰো অধিক কাল একেদৰে জ্বলি থৈ আছে । এই চামগছ ৰোপণৰ পৰাই 'ভূমুৰীয়া' নামৰ উৎপত্তি হয় । বৰবিষ্ণু আতাই ভূমুৰীয়াত সত্ৰ স্থাপন কৰাত ভূমুৰীয়াকে ধৰি আশে-পাশে থকা গাঁৱবোৰৰ শ শ লোক আহি বৰবিষ্ণু আতাৰ শৰণ লয় । ফলত 'দক্ষিণ কোণত' এক শৰণ ভোগৱতী ধৰ্মই এক নতুন ৰূপত প্ৰসাৰিত হৈ পৰিল ।

বৰবিষ্ণু আতাৰ পিতৃয়ে দিয়া নাম কংসাৰী । শৰণ গ্ৰহণ কৰাৰ সময়ত মাধৱদেৱে তেওঁক দিয়া নাম হ'ল 'বিষ্ণু' ।

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

বিষ্ণুৱে মুক্তিমাৰে মহিমান্বিত হৈ 'বৰবিষ্ণু আতা'লৈ উত্তৰণ ঘটে। এদিন মাধৱদেৱে ভক্তসকলৰ লগত ধৰ্মালোচনা কৰি থাকোঁতে গুৰুজনে ভক্তসকলক পৰীক্ষা কৰিবৰ মনেৰে কিহেৰে পুজিলে ভগৱন্ত তুষ্ট হৱ বুলি সুধিলত বিষ্ণু আতাই ফুলেৰে পুজিলে পৰাত্মা ভগৱান গোবিন্দ প্ৰভু তুষ্ট হৱ বুলি কলে। তাকে শুনি গুৰুজনাই ফুল আনিবলৈ উপদেশ দিলে। 'শ্ৰী শ্ৰীবৰবিষ্ণু আতা চৰিতত এনেদৰে বৰ্ণনা আছে —

"সেহি পুষ্প গুৰুদেৱে হাতে লৈয়া তুলি।
আৰম্ভিলা ঈশ্বৰক পুজিবাক বুলি ॥
সেহি পুষ্প পৰিলা গৈয়া বিষ্ণুৰ গাৰত।
ইটো কথা ভক্তসৱে জানা আশ্চাৰ্য্য সম্মত॥
এহি হেতু বিষ্ণু আতা উচ্চাৰিত ভৈলা।
আন ভক্ত সবে জানা আশ্চাৰ্য্য মানিলা ॥
সেহি দিনা হন্তে বিষ্ণু আতাৰ যে নাম।
গুৰু ৰাখিলন্ত বৰবিষ্ণু অনুপাম ॥"

এইদৰে বিষ্ণু আতা হৈ পৰিল দক্ষিণ কুলীয়া বৰবিষ্ণু আতা। নিজৰ

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

দক্ষতা অনুসৰি আৰু গুণবাজিৰে বৰবিষ্ণু আতা গুৰুজনাৰ বিশেষ নজনা আতা পুৰুষৰ শাৰীতে বহিবলৈ সক্ষম হয়।

ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰখন কামৰূপ জিলাৰ বকোৰ পৰা ১৩ কিলোমিটাৰ উত্তৰ পশ্চিমত অৱস্থিত। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ অন্যতম প্ৰিয় শিষ্য শ্ৰী শ্ৰী বৰবিষ্ণু আতাদেৱে প্ৰতিষ্ঠা কৰা ছমৰীয়া সত্ৰখন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ। সৰ্বজন বিদিত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অৱস্থিত ছমৰীয়া সত্ৰখন এক গুৰুত্বপূৰ্ণ সত্ৰ। সত্ৰৰ কাষেৰে নীৰৱে বৈ যোৱা মৰাকলঙী নৈৰ সলিল ধাৰা আৰু তিপাৰৰ বিস্তীৰ্ণ বাননি পথাৰে এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছে।

সত্ৰৰ চৌহদৰ একেবাৰে আগফালে থকা শিলৰ ক্ষুদ্ৰ মন্দিৰৰ মাজেৰে শিয় হৈ থকা বিশালাকায় বকুল গছ কেইজোপাই আগত সুৱগা চৰাই ঠাইখনৰ সৌন্দৰ্য্য মোহময়ী কৰি তুলিছে।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ১.০ অধ্যয়নৰ উদ্দেশ্য :-

ৰবাবিষ্ণু আতাৰ থান চুমৰীয়া সত্ৰখন এখন ঐতিহ্যমণ্ডিত সত্ৰ। বৰ্তমান সময়ত সত্ৰখনৰ আশে-পাশে থকা মানুহখিনিৰ অসমীয়া সংস্কৃতি, অসমীয়া ৰীতি-নীতি, উৎসৱ পাৰ্বন, সমাজ ব্যৱস্থা আদি আগৰ তুলনাত বহুখিনি নাইকীয়া হৈ আহিছে। চুমৰীয়া সত্ৰৰ বিষয়ে ভালদৰে কোনো ধৰণৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা হোৱা নাই। লিপিবদ্ধ নোহোৱাৰ ফলত চুমৰীয়া সত্ৰৰ বহু কথা ইতিমধ্যে কালে গ্ৰাস কৰিলে। বাকী কিছু কথা নিঃশেষ হৈ যোৱাৰ পথত। সেয়ে ইয়াৰ বহুল অধ্যয়ন তথা গৱেষণাৰ প্ৰয়োজন আছে। বাহিৰৰ সংস্কৃতি আমদানি কৰি নিজৰ আপুৰুগীয়া সংস্কৃতি পৰিহাৰ কৰাটো অতি পৰিতাপৰ বিষয়। সেই উদ্দেশ্য আগত ৰাখি এই ক্ষুদ্ৰ গৱেষণা পত্ৰখন লিখা আমাৰ মূলগত লক্ষ্য আৰু উদ্দেশ্য।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ২.০ অধ্যয়নৰ গুৰুত্বঃ—

চমৰীয়া সত্ৰৰ বিভিন্ন বিষয়ৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ পাৰ্বনৰ নীতি-নিয়ম আগতকৈ বহুখিনি সলনি হৈ আহিছে। আগৰ তুলনাত এইবোৰ যথেষ্ট খিনি হেৰাই গৈছে পৰা সময়ত এইবোৰৰ ওপৰত অলপ গুৰুত্ব দিয়াৰ দৰকাৰ আছে তথা আমাৰ অধ্যয়নৰো প্ৰয়োজন আছে।

## ৩.০ অধ্যয়নৰ পদ্ধতিঃ—

আলোচ্য ক্ষুদ্ৰ গৱেষণা প্ৰেজ্যন প্ৰস্তুত কাৰ্যত প্ৰাথমিক আৰু গৌণ উভয় বিধ উৎসৰ পৰা তথ্য আহৰণ কৰা হৈছে। সেয়ে হলেও মুখ্য উৎসৰ ওপৰত অধিক নিৰ্ভৰ কৰা হৈছে। চমৰীয়া অঞ্চলৰ দুজনমান লোকসকল সভাত দুজনমান আলোচনীৰ পৰাও

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

তথ্য সংগ্ৰহ কৰা হৈছে।

## ৪.০ পূৰ্বকৃত বিষয়ৰ অধ্যয়নঃ—

ইতিপূৰ্বে ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰসমূহৰ বিষয়ে বহুলোকে লিখিত ৰূপত হৈ গৈছে তাৰে ভিতৰত ছমৰীয়া সত্ৰৰ বিশিষ্ট লেখক গোবিন্দ বৈশ্যৰ "দক্ষিণ কুশীয়া বৰ বিষ্ণু আতা পুৰুষ," উমাকান্ত ডেকা অধিকাৰী আৰু অচ্যুতকান্ত অধিকাৰী সম্পাদিত "শ্ৰী শ্ৰী বড়বিষ্ণু আতাৰ চৰিত," অসম সত্ৰ মহাসভাৰ ৭১ তম বাৰ্ষিক অধিবেশন ২০০৭ চনৰ বৰবিষ্ণু আতা ক্ষেত্ৰ ছমৰীয়া "সত্ৰ-প্ৰভা" স্মৃতিগ্ৰন্থ, গুণদা দাসৰ ছায়াৰূপা স্মৃতি গ্ৰন্থত প্ৰকাশিত "ছমৰীয়া অঞ্চলৰ কথিত অসমীয়া ভাষাঃ এটি বিশ্লেষণাত্মক অধ্যয়ন" আদিৰ পৰা সংগ্ৰহ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰকল্প অধ্যয়ন কামকতৰ বাবে এই ক্ষুদ্ৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হ'ল।

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

## ৫.০ বিষয়বস্তুঃ—

বিষয়বস্তুৰ ভিতৰত দক্ষিণ কুলীয়া বৰবিষ্ণু আতা, দক্ষিণ কুলীয়া বৰবিষ্ণু আতাৰ স্থান ছমৰীয়া সত্ৰৰ ভূ-সম্পত্তি আদি সাধাৰণ বিৱৰণ, ছমৰীয়া বিষয়বৰীয়া সকলৰ উপাধি সমূহ, ছমৰীয়া অন্তৰ্গত থকা বিভিন্ন লোকাচাৰ বা লোকবিশ্বাসসমূহ, যেনে - ছমৰীয়া সত্ৰৰ সামাজিক লোকাচাৰ, জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰ আদি। ইয়াৰ পিছত ছমৰীয়া অন্তৰ্গত প্ৰচলিত বিভিন্ন উৎসৱ অনুষ্ঠান; যেনে- ছমৰীয়া সত্ৰৰ সভা মহোৎসৱ, দৌল উৎসৱ, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, শ্ৰীমন্ত শংকৰ দেৱ গুৰুজনাৰ আবিৰ্ভাৱ তিথি, গুৰুদুজনাৰ তিৰোভাৱ তিথি, মাঘ বিহু আদিৰ বিষয়ে ইয়াত লিখা হল।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ৫.১ দক্ষিণ কুশীয়া শ্ৰী শ্ৰী বৰবিষ্ণু আতাঃ-

শ্ৰী শ্ৰী বৰবিষ্ণু আতাই সেপাপ্ৰথমতে 'মাণাকুচা' নামে ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰি বসবাস কৰিছিল। কিন্তু প্ৰবল খৰাসুঁতীয়াৰ বাবে মাণাকুচা ত্যাগ কৰি কাঠনি নামে ঠাইলৈ সত্ৰ স্থানান্তৰিত কৰিছিল।

কিছুদিন পিছত বিষ্ণু আতাই কাঠনিও পাৰি ত্যাগ কৰি তাৰ কাৰণ হ'ল —

ভবাৰ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে নাৰায়ণ দাস ঠাকুৰ আতা, শ্ৰীৰাম আতা, যদুমণি আতা সহিতে কাঠনি কলাহমোৰা হৈ বেৰামলৈ লৈ নাৱেৰে যাত্ৰা কৰে। সেই ঘাটতে গোবিন্দ পুৰুত এটি অপূৰ্ব দৃশ্য দেখি নাঁও ৰাখিলে। নাঁওৰ পৰাই গুৰুজনাই দেখা পোৱা অপূৰ্ব দৃশ্যৰ বৰ্ণনা চৰিত পুথিত এনেদৰে আছে —

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

"দুই নদী কণ্ঠীৰ মাজে নৌকা বাসি ।
নৌকা হন্তে ৰাজহংসা দেখিলা হুৰিষি ॥
দেখিলোক চাম এক বৃক্ষ ভয়ঙ্কৰ ।
এক যে প্ৰদীপ জ্বলি আছে বৃক্ষৰ উপৰ ॥"

এই দৃশ্য দেখি নাৰায়ণ দাস ঠাকুৰ আতাই গুৰুজনাক ঠাইখনৰ মহত্ত্বৰ কাৰণ সোধাত মাধৱ গুৰুজনাই কয় —

"দ্বিতীয় বৈকুণ্ঠপুৰী হৈব এহি স্থান ।
নৰবিষ্ণু আতা আসি কৰিব নিৰ্মাণ ।"

মাধৱদেৱৰ পৰা গুৰুজনাই উক্তি মতে কাঠিয়াত শ্ৰীশ্ৰী নৰবিষ্ণু আতাক কোৱা যায় —

"কাঠিয়াত বিষ্ণু ভুকি আৰু নাথাকিবা ।
গোবিন্দ গুৰুত সোঁমা মানক পাতিবা ॥"

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

গুৰুজনাই গোবিন্দগুৰুৰ সবিশেষ বৃত্তান্ত বিৱৰি টকে বৰবিষ্ণু আতাক এইদৰে উপদেশ দিলে

> “ইমবা নাম তুমবীয়া কৰিবা নিবাস ।
> অদ্ভুত মহিমা হৈব জ্ঞানৰ প্ৰকাশ ।”

গুৰুজনাৰ আদেশ শিৰোধাৰ্য্য কৰি বৰবিষ্ণু আতাই কাইহি ত্যাগ কৰি গোবিন্দগুৰুৱলে তথা তুমবীমাত সত্ৰ স্থাপন কৰে ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

৫.২ দক্ষিণ কুলীয়া বৰবিষ্ণু আতাৰ থান চুমৰীয়া সত্ৰৰ এটি সাধাৰণ আভাস :—

মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ অন্যতম প্ৰিয়শিষ্য বৰবিষ্ণু আতাই প্ৰতিষ্ঠা কৰা চুমৰীয়া সত্ৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ। সত্ৰৰ কাষেৰে নীৰৱে বৈ যোৱা সুবৰ্ণশিৰি নদীৰ সলিলে ধাৰাই এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছে। এই গাঁওসমূহত পাঁচশতকৈও অধিক পৰিয়ালে বসবাস কৰে। সকলোখিনি মানুহে বৰবিষ্ণু আতাই দেখুৱাই যোৱা ধৰ্মকে অৱলম্বন কৰে। চুমৰীয়া সত্ৰক একশৰণ ভাগৱতী ধৰ্মৰ দক্ষিণৰ ঘাই খুটি বুলি অভিহিত কৰা হয়।

চুমৰীয়া সত্ৰৰ নামঘৰৰ চোতালৰ পশ্চিম দিশে এটি চাৰি ফুট উচ্চতাৰ শিলৰ খুটি আছে। ইয়েই "দক্ষিণৰ কোণৰ" ধৰ্মৰ খুটি হিচাপে সাক্ষ্য বহন কৰি আহিছে। ইয়াৰ বয়স চাৰিশ বছৰতকৈও অধিক। দক্ষিণৰ ধৰ্মৰ খুটি বৰবিষ্ণু আতাৰ থান চুমৰীয়া সত্ৰ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চাৰিফুট ওখ এখন পকী দেৱালে
মন্দিৰ চৌহদটো ঘেৰি আছে। স্থানীয় লোকে
দেৱালখনক 'গড়' বুলি কোৱা হয়।
গড়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ পাঁচটা প্ৰৱেশ
পথ আছে। পশ্চিমৰ পথ আৰু পূবফালৰ পথ
এটাৰ পাতে লাগি দুটা "বাট চৰা"। পূব ফালে
থকা প্ৰধান পথটোক "সুণ তোৰণ" বুলি কোৱা
হয়। সুণ তোৰণ খনৰ দুয়ো কাষে বৈকুণ্ঠৰ
দ্বাৰ ৰক্ষী জয়-বিজয়ক দুৱৰী হিচাপে ইয়াত
খোদিত কৰা আছে। একেবাৰে ওপৰত
নৰসিংহই হিৰণ্য কশিপুৰক নাৰী ভুক উলিয়াই
বধ কৰাৰ লোমহৰ্ষক দৃশ্য। তাৰ দুয়োমফালে
ক্রমে বিষ্ণুৰ বাহন গৰুড় পক্ষী আৰু ৰামচন্দ্ৰৰ
পৰম ভক্ত হনুমানৰ মূৰ্ত্তি আছে। ইয়াৰ দুয়ো
কাষে আছে দুটা ডাঙৰ সিংহৰ মূৰ্ত্তি। প্ৰৱেশ
পথৰ ঠিক ওপৰ ভাগতেই ভাগৱত অঙ্কিত
শৰাই আৰু শৰাইৰ দুয়োকাষে দুগছি বন্তি
খোদিত কৰা আছে। শিল্পীৰ যেন এয়া
নিখুঁত কলা-কৌশল। এই মনোমোহা
দৃশ্যাৱলীয়ে সকলোৰে মন প্ৰাণ হৰি নিয়ে।
মন্দিৰ চৌহদৰ একেবাৰে পূবত আছে এখন

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

ভটমটি। যিদৰে ভটমটিৰ কাহিনী জড়িত হৈ আছে আড়িমত্ত সিংহ ৰজাৰ নামত। ছমৰীয়া অঞ্চল পৰা ১০/১২ মাইল দূৰত থকা দুবামাৰী গাঁৱতে আছে এটা বৰ পুখুৰী। জনশ্ৰুতি মতে আড়িমত্ত ৰজাই এই পুখুৰীটো খন্দাইছিল। ইয়াৰ চাৰিও পাশে শিলাৰ ভটমটি ৰজাই তৈয়াৰ কৰি দিছিল। কিন্তু আড়িমত্ত ৰজাৰ মৃত্যুৰ পিছত তেওঁৰ সেই মৰমৰ পুখুৰী প্ৰাকৃতিক দুৰ্যোগত পৰি তাৰ দিনে চাৰিওফালে ফাট মেলে। ভটমটিৰ শিলাবোৰ ভাঙি গৈ যেনি তেনি পৰে।

এসময়ত ছমৰীয়া অঞ্চলবাসী ৰাইজৰ কোনোবা সৌন্দৰ্য্য পিপাসুৰ মনত সেই ভাঙি পৰা শিলাৰে অঞ্চলৰ পূৰ্ববংশৰ সৌন্দৰ্য্য বঢ়োৱাৰ হেঁপাহ জন্মে। সেয়েহে ৰাইজক সজাগ কৰি বাৰিষা কালত তাৰ কিছু শিলা আনি ভটমটি সজায়, যি ভটমটিয়ে আজিও ছমৰীয়াৰ পূৰ্ববংশৰ সৌন্দৰ্য্য অতুলনীয় কৰি ৰাখিছে। এই ভটমটিসমূহত প্ৰায় দুই হাজাৰ চাৰি কোণীয়া শিলা খণ্ডৰ টুকুৰা আছে।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

সোণত সুৱগা চকোৱা দি ইয়াৰ কাষে কাষে ৰুই দিয়া বৰ্তমানৰ বিমান পোম বকুল কেইজোপাই এই ঠাই দোসৰৰ সৌন্দৰ্য্য আৰু অধিক মোহনীয় কৰি তুলিছে। বীৰ মণায়াত বোৱা বকুলৰ সুবাসে আজিও পথিকৰ মন প্ৰাণ উতলা কৰে।

মেটেমটিৰ কাষে কাষে থকা বকুল গছবোৰৰ তলত থকা মেটেমটিত বহি সন্মুখেৰে বৈ যোৱা মৰা কলঙ নদীৰ তাৰ সিপাৰে বিস্তীৰ্ণ ধাননি পথাৰ, কাষত থকা সেউজীয়া গাঁও আৰু তাৰো সিপাৰে আকাশ চুম্বী পাহাৰৰ মনোমুগ্ধ দৃশ্যাৱলী উপভোগ কৰা কোনো শিল্পী মনা ব্যক্তি তাত নিশ্চয় কৈ সপোনৰ নাৱত উঠি ভাহি ফুৰিব।

মেটেমটিৰ সন্মুখত এটি ৰাজহুৱা পথ আছে। নদীৰ জলবায়ুৱে ঠাইৰ পৰিৱেশ সদায় সৰ্ব্বদাই শান্ত-শীতল, শুভ্ৰ গম্ভীৰ কৰি ৰাখিছে।

মূল কীৰ্তন ঘৰটোৰ দীঘ ১৫০ ফুট আৰু বহল ৬০ ফুট। কীৰ্তন ঘৰটো সদায় চিকুণ কৰি ৰখা হয়। কীৰ্তন ঘৰটো সদায় চিকুণ

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

কৰি ৰখা হয়। কীৰ্ত্তন ঘৰটো পূৱা-পশ্চিমাকৈ সজোৱা আছে, ইয়াৰ তিনিফালে তিনিখন বাৰাণ্ডা আছে। দক্ষিণ বাৰাণ্ডা খনত সত্ৰৰ ভকতনী সকলে দুপৰবেলা নাম প্ৰসংগ কৰে। তেওঁলোকক "কাঠিৰ আই সকল" বোলা হয়। নামঘৰৰ ভিতৰত বাপ সমস্তৰ দ্বাৰা সদায়ে চৈধ্য প্ৰসংগ পৰিচালিত হৈ থাকে। নামঘৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দুখন মাত্ৰ প্ৰৱেশ দুৱাৰ আছে। মুখ্য দুৱাৰ খন উত্তৰ ফালে আৰু আনখন দুৱাৰ পশ্চিম ফালে। নামঘৰৰ ভিতৰত তিনিখন আসন আছে। মূল আসন খনক গুৰু আসন বোলা হয়। ইয়াত ভাগৱত স্থাপন কৰা আছে। মূল গুৰু আসন খন মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ নামত অৰ্পণ কৰা আছে। দক্ষিণ ফালে থকা সৰু আসন খন সভে তিনিয়ে ব্যৱহৃত। উত্তৰ ফালে থকা আসন খনত চতুৰ্ভুজ মূৰ্ত্তি এটা আছে। আহোম ৰজাৰ ছত্ৰ-ছায়াত এই মূৰ্ত্তিটোৰ প্ৰৱেশ ঘটে। সময়ত ইয়াৰ সমানি হোৱাৰ সম্ভাৱনা আছে।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

গুৰু আসনৰ সন্মুখত সেই প্ৰতিমান বন্তি সদায়ে প্ৰজ্বলন কৰা হয়। গুৰু আসনৰ দুয়ো কাষে দুপাট "বৰপতা" আছে। এই আসনৰ উত্তৰ ফালে দেৱালৰ কাষত এটা অকাণ্ড "ডবা" আৰু এযোৰ বৰকাঁহ আছে। নিশাৰ প্ৰসংগৰ অন্তত নিতৌ ডবাত তিনিটাকৈ কোব মৰা হয়।

কীৰ্তন ঘৰৰ পাছত পূৱফালে সংলগ্ন হৈ আছে "মণিকূট"। "মণিকূট"ৰ দীৰ্ঘ ৫০ ফুট আৰু প্ৰস্থ ৪০ ফুট। ইয়াৰ ঠিক পূৱফালে এখন দুৱাৰ আছে। মণিকূটটোৰ দক্ষিণ পিনে মাধৱ গুৰুজনাৰ নিজ হাতৰ এখন গুৰু আসন আছে। যিখন গুৰু আসন মাধৱদেৱে যদুমণিৰ হাতত পঠিয়াইছিল। এতিয়াও তাক যতনে ৰখা হৈছে। ইয়াৰ উচ্চতা দুই ফুট আৰু বহলো দুই ফুট। এই গুৰু আসনৰ সন্মুখতে আছে "অক্ষয় বন্তি"। যি জোপা গছত মাধৱ গুৰু জনাই বন্তি জ্বলি থকা দেখিছিল। সেই চামগছ জোপাৰ মূঢ়াৰ ওপৰতেই বৰবিস্তু আতাই বন্তি প্ৰজ্বলন কৰা বুলি প্ৰবাদ আছে।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চাৰিশ বছৰৰো অধিক কাল ধৰি আজিলৈকে সেই অমৰই বন্তি অবিৰত ভাৱে প্ৰজ্বলিত হৈয়ে আছে । সত্ৰবাসী সকলৰ দৃঢ় বিশ্বাস যে যদি কেতিয়াবা এই অমৰ বন্তিৰ প্ৰজ্বলন হঠাৎ বন্ধ হৈ যায় তেনেহলে ই হৈয়ে বহন কৰিব সত্ৰ বাসী সকলৰ অপায় আৰু অমংগল ।

সেই ঘৰটোৰ উত্তৰ সংলগ্ন সৰিয়হৰ তেল থোৱাৰ বাবে নাদ এটা আছে । স্থানীয় লোকে ইয়াক "তেলৰ নাদ" বোলে । তাৰ কাষতে সত্ৰৰ ভঁৰাল ঘৰ ।

হনুমানৰ কাঠত কটা মূৰ্তি গৰুৰ পক্ষীৰ কাঠত কটা মূৰ্তি চক্ৰবৰ্ত্তৰ কাঠত কটা মূৰ্তি আদিয়েই স্থাপত্য আৰু ভাস্কৰ্য্য শিল্পৰ নিদৰ্শন বহন কৰিছে । ইয়াৰ উপৰিও বিভিন্ন ভাওঁনাত ব্যৱহাৰ কৰা মুখা, বৰ গোপালৰ বাবে কিৰীটি আদিয়ে প্ৰধান ।

সংৰক্ষণৰ অভাৱত বহুতো সাঁচি পতীয়া পুথি নষ্ট হোৱাৰ পিছতো বৰ্ত্তমান ২২ খন সাঁচিপতীয়া পুথি সংৰক্ষিত হৈ আছে । চুমৰীয়া সত্ৰত এখনি তাম্ৰ লিপি আছে । ই দীঘে ২২ ইঞ্চি আৰু পথালিয়ে ১১ ইঞ্চি ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

অৰূপা কীৰ্ত্তন গীতত থাকি স্বৰ্গদেউক আশীৰ্বাদ কৰি থাকিবলৈ তামৰ ফলিমনত নিৰ্দেশ আছে। আহোম স্বৰ্গদেউ লক্ষ্মী সিংহই এটি সুবৃহৎ আকাৰৰ মঠ নিৰ্মাণ কৰি দিয়াৰ সাক্ষ্যও বহন কৰিছে। লক্ষ্মী সিংহই দান কৰা সুউচ্চ এই মঠটিয়ে দুশবছৰীয়া অতীতৰ এক সুকীয়া ঐতিহ্য বহন কৰি আহিছে। ইয়াৰ উচ্চতা প্ৰায় ৯০ ফুট আৰু ইয়াৰ ঘেৰ ১০০ ফুট। প্ৰবাদ আছে যে এটা সময়ত বহুতে দূৰ-দূৰণিৰ এই মঠটো মানুহে দেখিছিল। জনশ্ৰুতি মতে ১৮৯৭ ইং চনৰ প্ৰবল ভূমিকম্পৰ ফলত মঠটোৰ কিছু অংশ মাটিৰ তললৈ পতিত হয়। মঠটোৰ একেবাৰে ওপৰৰ অংশত তিনিটা সোণৰ কলচী আছিল। কোনোবা দুৰ্বৃত্তই তাক চুৰ কৰি পৰকাললৈ পাপ অৰ্জন কৰে।

স্বৰ্গ নামঘৰৰ আৰু মঠৰ ঘৰৰ সন্মুখত এসমনি ডাঙৰ পকী কৰা চোতাল আছে। ইয়াক "পকা কাম" বুলি কোৱা হয়। এতিয়াও সকলো কামৰ আলাপ আলোচনা মেল বিচাৰ আদি কৰি এই

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চোতালতেই কাম বোৰ পকা কৰা হয় বাবে ইয়াক "পকা কাম বোলা" হয়। পূব ফালে পকা ভেঁজ ঘৰটোৰ লগত সংলগ্ন হৈ আন এসমন সৰু দেৱালে স্থলা নামঘৰ মঠৰ ঘৰ আৰু পকা কাম আৱৰি আছে। চৌহদৰ উত্তৰ পশ্চিম কোণত আছে। দেউলা ঘৰটো ইয়াৰ লগতে সংলগ্ন হৈ আছে। ইয়াৰ উচ্চতা প্ৰায় ৩৫ ফুট মান হব। চৌহদৰ একেবাৰে উত্তৰ দিশত দুটা বৃহৎ আকাৰৰ পুখুৰী আছে। সত্ৰৰ উত্তৰ পূব অংশত পকাটো ভাকঘৰ আৰু তাৰ কাষতে অতিথিশালা ঘৰটো আছে।

ইয়াৰ মূলতঃ চাৰিটা বাৰী আছে। চৌহদৰ পূব-দক্ষিণ কোণত আছে মূল বৃহৎ আকাৰৰ মণী ঘৰটো যাক আমি সভাঘৰ বুলি কোৱা হয়।

নামঘৰৰ চৌহদটো বিভিন্ন বৰণৰ গছ গছনীৰে আৱৰি আছে। নামঘৰৰ

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

ভিতৰত সোমালে ধৰ্মৰ কোনোবা এটা অংশত থকা যেন অনুভৱ হয় ।

৫.৩ ছুমৰীয়া সত্ৰৰ ভূ-সম্পত্তিৰ এটি বিৱৰণ দাঙি ধৰা হ'ল :-

আহোম ৰজা লক্ষ্মী সিংহই "তাম্ৰ ফলি" কৰি ছুমৰীয়া সত্ৰৰ নামত ১ নং নিঃ মেৰাদী পট্টাত ৮০৭ বিঘা ৩ কঠা ৩ লেচা মাটি দান দিয়ে । অসম চৰকাৰৰ Gazatte Notification R/R/T/6/64 Dated 22/4/67 মৰ্মে L.T.V.I.-64/67/13 নং চিঠিৰ যোগে চিলিং এক্ট মতে ৭৯৬ বিঘা ৪ কঠা ৭ লেচা মাটি অধিগ্ৰহণ কৰে আৰু ৰায়তী পট্টা প্ৰদান কৰে । অৱশিষ্ট ১০ বিঘা ৩ কঠা ১৬ লেচা মাটি সত্ৰৰ মৌজুদত আছে । তাৰে ৮৩ নম্বৰ দাগত ৩ বিঘা ১ কঠা ৩ লেচা, ৮৪ নম্বৰ দাগত ৪ বিঘা ১ কঠা ২ লেচা আৰু ৮৫ নম্বৰ দাগত ৩ বিঘা ১ কঠা ১১ লেচা মাটি আছে ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

অৱৰ সচিব, ৰাজহ (পট্টন) বিভাগ, পট্টন শাসনৰ ২৭/১১/৮৫ ইং তনৰ চেন২/৮৫/১৫ নং হুকুম মৰ্মে হুমৰীয়া অঞ্চল ১নং নিঃ মেৰাজ পট্টাৰ মুঠ ১০ বিঘা ৩ কঠা ১৫ লেচা মাটি কোনো ব্যক্তিৰ নামত নাৰাখি "ক্ষেত্ৰ বিপ্ৰ হুমৰীয়া সমাজ" নামত ৰখা হয় ।

৫.৪ হুমৰীয়া অঞ্চল বিষয় ববীয়া সকলৰ উপাধি সমূহ হ'ল :—

সভাধিকাৰ, ডেকা অধিকাৰ, উদাসীন কেওঁ, বুঢ়া কেওঁ, আতৈ, নামাচাৰ্য্য, পাঠক, ভৰালী, ধাই দেউৰী, সত্ৰকাৰী দেউৰী, দোইনাপালী, বায়ন, গায়ন, মেধী, বৰা আৰু সাঢ়া ।

এই সমস্ত মিলি একেলগে সকলোকে "ক্ষত্ৰিয় সমাজ" বোলা হয় । নাম পাৰলৈ আমন্ত্ৰণ কৰা সাধু সমাজ বোলা হয় ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

ছমৰীয়া সত্ৰত বসবাস কৰা লোক-সকলৰ উপাধি সমূহ অনেকৰণৰ — অধিকাৰী, ডেকা অধিকাৰী, মহন্ত, কলিতা, বায়ন, দইকাৰপালী, দাস, বৈশ্য, বৰা, আতা, আটৈনীয়াৰ, পাঠক, মেধি পাঠক আৰু শৰ্মা।

সত্ৰৰ সকলো মূল কামৰ দায়িত্ব বহন কৰে ‘সত্ৰ পৰিচালনা। কমিটিয়ে। ইয়াত বিশেষকভাৱে সত্ৰাধিকাৰ, মজুমদাৰ আৰু কেৰাণী থাকে।

৫.৩ ছমৰীয়া অঞ্চলৰ বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস :—

## ছমৰীয়া সত্ৰৰ সামাজিক লোকাচাৰঃ—

ছমৰীয়া সত্ৰসমূহ শংকৰী সংস্কৃতিৰ বাহক। ইয়াত আটাইবোৰ নীতি-নিয়ম শংকৰী নিয়মেৰে পালন কৰা হয়। দোল-তালৰ বাদনে সত্ৰৰ সভিয়াত সদায়ে গোটৰ উপৰিও মাজে-সময়ে অনুষ্ঠান পাতি খোলা, দোল-বাদন, তাল-বাদন, বৰগীত, ব্যাস গীত আদি কলা কৃষ্টি পৰিবেশন কৰা হয়। "ছমৰীয়া আঞ্চলিক যুৱক সংঘ" "সুৰ দেউল" নামৰ সংঘ দুটিৰ মাধ্যমেৰে সদায়ে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি গীত মাত, নাট-ভাওনা কৰি অহা হৈছে। সেইবোৰতে শংকৰী সংস্কৃতিৰ ওপৰত আৰু অধিক প্ৰাধান্য দিয়া দেখা হয়। উৎসাহী-উদ্যোগী সকলে আৰু যোৱা দশকত দিনে ক্ৰমশে ঘিলোৰ দিশে কালৰ বুকুতে হেৰাই যোৱাৰ উপক্ৰম হৈছে,

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

সেইবোৰ দিশ পুনৰ সজীৱ হৈ উঠিব । কলা-কুশলী ব্যক্তি ছুমৰীয়া অঞ্চলত বহুত আছে কিন্তু উপযুক্ত পৰিৱেশৰ অভাৱত তেওঁলোকৰ প্ৰতিভাই আশানুৰূপ বিকাশ লাভ কৰিব পৰা নাই ।

ছুমৰীয়া অঞ্চলত ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈ বিশেষ কিছু নিয়মৰ পালন কৰা হয় তাৰ ভিতৰত ৰাতিপুৱা চাৰি বজাতে উঠি গোটেই নামঘৰটো মচা-কচা কৰা হয় তাৰ পিছত নামঘৰৰ আশে-পাশে থকা ঠাইবোৰ চাফচিকুণ কৰা হয় ।

ছুমৰীয়া অঞ্চলত নিত্য চৰ্য্যা প্ৰসঙ্গ তলত দিয়া ধৰণে ভকতসকলৰ দ্বাৰা পৰিচালিত হৈ থাকে ।

ৰাতিপুৱাৰ প্ৰসঙ্গ – প্ৰাতঃ সময়ে ঘোষা জ্ঞানী (ভেটিমা)
পুৱাৰ বৰগীত (জাগৰণ আৰু চলনৰ)
আৰু (কেতনী) সকলৰ নাম প্ৰসঙ্গ ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

বাপু (ভকত) সকলৰ নাম প্ৰসংগ আৰু
পাঠ-(ভাগৱত, ৰত্নাকৰ; ৰুক্মিণীহৰণ, ৰত্নাৱলী)

গোচিবেলাৰ প্ৰসংগ – আগ পাঠ-(নামঘোষা, কীৰ্ত্তনঘোষা)
বাপু (ভকত) সকলৰ দ্বাৰা নাম প্ৰসংগ
পাছু পাঠ – (নামঘোষা, কীৰ্ত্তন ঘোষা)
আই (ভকতনী) সকলৰ নাম প্ৰসংগ।

গধূলীৰ প্ৰসংগ – গুৰু ঘোষা, গুণমালা, লীলামালা
বাৰু কীৰ্ত্তন বা শংকৰী ভজন।
সোণ তাল সহ ভক্তিমূলক বৰগীত
বাপু (ভকত) সকলৰ দ্বাৰা নাম প্ৰসংগ।
পাঠ-সদায়ে সপ্ত কাণ্ড ৰামায়ণৰ
পাঠ ধাৰাবাহিক ভাৱে পঢ়ি থোৱা
হয়। সৰ্ব্বশেষত উক্ত তিনিটা বেলৰ মাজৰ
দিন টোৰ চৈধ্য প্ৰসংগৰ ভৰ পেলোৱা হয়।
(পাঠৰ কাৰ্য্য সূচীত এসমন পুথি ধাৰাবাহিক
ভাৱে পঢ়ি শেষ কৰাৰ পিছত আন এসমন
পুথি আৰম্ভ কৰা হয়) এইদৰে ক্ৰমে
আটাইবোৰ পুথি পাঠ পঢ়া হয়।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## চমৰীয়া অঞ্চলৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰ সমূহ:—

### চমৰীয়া অঞ্চলৰ জন্ম সম্পৰ্কীয় লোকাচাৰ:—

লোকাচাৰ বা লোক ৰীতি-নীতি সমূহ পৰম্পৰাগত ভাৱে চলি অহা বিশ্বাস, অন্ধবিশ্বাস আদিবোৰৰ ওপৰত ভেটি কৰি গঢ় লোৱা। লোকাচাৰ সমূহ মানুহৰ জন্ম, মৃত্যু, বিভিন্ন লোক উৎসৱ অনুষ্ঠান আদিৰ লগত জড়িত। চমৰীয়া অঞ্চলৰ জন্ম সম্পৰ্কীয় লোকাচাৰ সমূহ হ'ল —

চমৰীয়া অসমীয়া সমাজত মাতৃ হবলৈ আগবঢ়া তিৰোতা সকলক শাহু আইকা ওচৰ-চুবুৰীয়া অভিজ্ঞ ব্যক্তিয়ে নানা দিহা পৰামৰ্শ নীতি-নিয়মৰ শিকনি দিয়ে। যেনে- গৰ্ভাৱস্থাত খং-ৰাগ, দুশ্চিন্তা - দুৰ্ভাৱনা, হিংসা, দেহ পৰিষ্কাৰ কৰাৰ লগতে বেয়া দৃশ্য চোৱা, ফুল ছিঙা, পকোৰে এক-জুমলী বন্ধা, নিশা অকলে বাহিৰলৈ যোৱা, মৰ্জা কৰা

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

সেইবোৰ আদি কৰ্মৰ পৰা বিৰত থাকিবলৈ তিৰোতাসকলক সতৰ্ক কৰে। জীৱ হত্যা কৰিলে গৰ্ভস্থ সন্তান নষ্ট হ'ব পাৰে বুলি লোক বিশ্বাস আছে। সেয়েহে, সন্তান সম্ভৱা পিতৃ-মাতৃ দুয়োকে কেতিয়াও জীৱ হত্যা কৰিবলৈ দিয়া নহয়।

চুমবীয়া অঞ্চলত গৰ্ভৱতী হোৱা তিৰোতাক পাঁচ মাহত এবাঁ পায়সৰ, দৈ, গুৰ, ঘিউ আৰু মৌৰে 'পঞ্চামৃত' খুওৱা পৰম্পৰা প্ৰচলিত হৈ আহিছে আৰু গৰ্ভ ধাৰণৰ সাত (৭) বা ন(৯) মাহত 'জেউৰা খুওৱা' বা জেউৰা দিয়া পৰা হয়। গৰ্ভৱতী নাৰীৰ মাকহঁতৰ পৰিয়ালবৰ্গ আৰু গিৰিয়েকহঁতৰ পৰিয়ালবৰ্গই মিলা-মিলিকৈ এই অনুষ্ঠানসমূহ সম্পন্ন কৰা হয়।

নামনি অসমৰ কেনেবা কোনো অঞ্চলত গৰ্ভৱতী তিৰোতাই মাকহঁতৰ ঘৰত থাকি আঠ মাহ সময়ৰ নিয়ম আছে।

সন্তান জন্ম হোৱাৰ পিছত ভূত প্ৰেতৰ পৰা ৰক্ষা পাবলৈ বুলি ঘৰৰ দুৱাৰ মুখত কাৰী মাছৰ কাঁইট, নেমুটেঙা আৰু

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

ভূণকীয়া আঁৰি দিয়া হয়। হুমৰীয়া সত্ৰত নৰজাতকৰ 'নাই' সৰিলে 'নাই'ডালে মাছে সযতনে টুপ দিয়ে। লৰা-ছোৱালীৰ পিছত পেটৰ বিষ বা পানী আদিত পৰিলে 'নাই'টো ঔষধ হিচাপে ব্যৱহাৰ কৰে।

হুমৰীয়া সত্ৰত সন্তান জন্ম হোৱা ঘৰখনক অশুচি বুলি ধৰা হয়। সন্তান প্ৰসৱ হোৱাৰ পৰা এঘাৰ দিনলৈ পৰিয়ালবৰ্গই নামঘৰ আদিলৈ নাযায়। আনকি ঘৰটো গোঁসাইৰ চাকি নজ্বলাই। মাক আৰু সন্তানৰ লগতে পৰিয়ালবৰ্গই এঘাৰদিনীয়া অশৌচ পালন কৰে। অশৌচৰ দহ দিনৰ দিনা প্ৰত্যেকৰ চৰু-হাড়ি ধুই ঘৰৰ সকলোবোৰ কানি-কাপোৰ ধুয়াই প্ৰত্যেকৰ প্ৰত্যেকৰ অশৌচ নোহোৱা হয়। লৰা সন্তান জন্ম পালে একৈশ (২১) দিনত আৰু ছোৱালী সন্তান জন্ম পালে একমাহৰ মূৰত আকৌ কাপোৰ-কানি ধুয়াই হাড়ি-চৰু-ধুই সমস্ত ঘৰৰ চাক-চিকুণ কৰি অশৌচ গুচাই শুদ্ধি সবাহ পতা হয় আৰু সন্তানটিৰ একমাহ হোৱা পিছত আয়তি সকলক মাতি নাম লৈহে সন্তানটিৰ নাম ৰখা হয়।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ছমৰীয়া অঞ্চলৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰঃ

মৃত্যু মানৱ জীৱনৰ এক চিৰন্তন সত্য কোনো মানুহে মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰে । ছমৰীয়া অঞ্চলৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰসমূহ হ'ল –

এজন ব্যক্তিয়ে শেষ নিশ্বাস এৰাৰ পিছে পিছে ছমৰীয়া অঞ্চলবাসী ৰাইজ আহি মৃতদেহটো ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ উলিয়াই চোতালত উত্তৰ মুৰাকৈ চাৰি-পাটীৰ ওপৰত শুৱায় দিয় । মূৰৰ শিতানত এগছি চাকি, ধূপ-ধূনা জ্বলাই মৃত দেহটো বগা কাপোৰেৰে ঢাকি মুখ ছুটিয়াই দিয়া হয় । মৃতকক শ্মশানলৈ নিয়াৰ উদ্দেশ্যে বাঁহৰ চাঙি এসমন গাঁৱৰ মানুহে তৈয়াৰ কৰে তাৰ পিছত সকলোৱে মৃতকৰ প্ৰতি ফুল দৌৰাই শেষ আগবঢ়ায় মৃতকক বিদায় দিয়ে তাৰ পিছত মৃতকজনক শ্মশানলৈ লৈ যোৱা হয় ।

মৃতকক শ্মশানলৈ উলিয়াই নিয়াৰ পিছত চোতালত দেহটো থোৱা ঠাইখিনিৰ চাৰিওফালে খুঁটি মাৰি বেৰ দিয়া হয় । মৃতকক চিতাত তোলাৰ সময়ত প্ৰথম হলে তলমুৰাকৈ



Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

আৰু মহিলা সকলে উপৰমুৰাকৈ শুৱাই দিয়া হয়
আৰু মুখাগ্নি কৰাজনে সাতবাৰ প্ৰদক্ষিণ কৰি
শাস্ত্ৰৰ বিধি অনুযায়ী মৃতকক চিতাত তুলি দি
দাহন কৰা হয়।

শ্মশানলৈ যোৱা লোকসকলে ঘৰলৈ
উভতি আহোঁতে নদীত পা-পা ধুই ঘৰলৈ আহে
ঘৰত মহিলা সকলে বাটত জুইৰ সেক
তৈয়াৰ কৰি থয়। শ্মশানৰ পৰা অহা লোক
সকলে জুইৰ সেক লৈহে ঘৰৰ ভিতৰত সোমাই।

চুমৰীয়া সত্ৰত বেলেগ ঠাইৰ দৰে
অস্থি অনা নিয়ম নাই শ্মশানতে পোত সমাধি
অস্থি সিমনি পুতি থৈ অহা হয় আৰু শ্মশানলৈ
যোৱা লোকসকলে ৰাতি শোৱন দিয়া নিয়মো
আছে। মৃতকৰ পৰিয়ালবৰ্গ আৰু বংশৰ মানুহে
সম্পূৰ্ণ তিনিদিন ভাত নোখোৱাকৈ থাকি
তিনি দিনৰ দিনা পিণ্ডতিলৈ দিয়া গুৰা, কল,
গাখীৰ, পানী, চেনী আদিৰে শুচি খোৱাৰ
পিছতহে সকলোৱে ভোজভাত খায়। ভোজ
ভাতত পিতিকা আৰু খীৰ, নিয়মৰ বাহিৰে
বেলেগ আৰু খোৱা নিষেধ আছে। ভোজভাতত
তেল, জলকীয়া, পিয়াঁজ, নহৰু খোৱা সম্পূৰ্ণভাৱে
মানা কৰি দিয়া হয়।

ছমৰীয়া অঞ্চলত মৃতকৰ তিনিদিনৰ দিনাৰ পৰা জাঁচা দিয়া নিয়মো প্ৰচলিত আছে। যিহেতু দহ দিনৰ দিনা শুচি হোৱা যায় সেয়েহে তিনিদিনৰ পৰা দহ দিনৰ ভিতৰত জাঁচা দিয়া নহয় দিব লাগিব বুলি নিয়ম আছে। ইয়াৰ উপৰিও কেনো ভাগ তিনিটো জাঁচা দিব লাগিব বুলি কোৱা হয়।

মৃতকৰ মৃত্যুৰ দিনৰ পৰাই পৰিয়াল আৰু বংশৰ মানুহে কঠোৰ নীতি-নিয়ম পালন কৰি থাকিব লগীয়া হয়। বিশেষকৈ মৃতকৰ পত্নী আৰু পুত্ৰেই কঠোৰ নিয়ম পালন কৰি চলিব লগীয়া হয়। ইয়াৰ ভিতৰত পালন কৰিবলগীয়া নিয়ম সমূহ হ'ল — পত্নী তথা পুত্ৰই দহা নোহোৱালৈ এই দহ দিন বিছনাত শুব নোৱাৰে মাটিত ঢেৰ পাৰি শুব লাগে আৰু কৰকাত বহিব সমজিলোও যেনেকৈ তেনেকৈ বহিব নোৱাৰে বস্তাৰ ভিতৰত ঢেৰ সুমুৱাই অথবা কল পাত পাৰিহে বহিব লাগে। তাৰোপৰি এই দহ দিন পত্নী আৰু পুত্ৰই গা-ধুই কাপোৰ

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

সপাৰ নোৱাৰে তিতা কাপোৰেৰে ও কষ্টৰ লাগে আৰু তিতি থকা কাপোৰডিনিও আঁচিব নোৱাৰে। সূৰ্য মণিয়াবও নোৱাৰে আৰু চেণ্ডেল পিন্ধিবও নোৱাৰে। ইয়াৰ উপৰি মুখাগ্নি কৰাজনে বেলেগ বন্ধা খাব নোৱাৰে নিজে বনাই হে খাব লাগে তাৰ লগত মাকেও একেলগে ভোঁজভাত খাই আৰ বাকীবোৰে বেলেগকৈ বান্ধি খাই। মুখাগ্নি কৰাজনে বেলেগ বন্ধা খাব নালাগে। মুখাগ্নি কৰাজনে হাতত ছুৰিকা কটাৰী লৈ ঘুৰিব লাগে। হাতত লোৰ অস্ত্ৰ থাকিলে অপদেৱতা, ভূত-প্ৰেতে লাগ নোৱাৰে বুলি লোক বিশ্বাস আছে।

মৃতকৰ দহ দিনৰ দিনা দহা পতা হয়। সেইদিনা ৰাতিপুৱা মৃতকৰ পৰিয়াল তথা বংশৰ মানুহে ঘৰৰ সকলো কানি-কাপোৰ, বাচন-বৰ্তন ধুই ঘৰ-দুৱাৰ মোচা হয় আৰু সোণ-ৰূপ ধুই তাৰ পানী আৰু তুলসী পাত আৰু গাখীৰৰ সংমিশ্ৰণ কৰি গোটেই ঘৰটোই শুদ্ধি কৰা হয়। আৰু পুত্ৰ সন্তান তথা বংশৰ পুৰুষ

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

সকলোৰে মুণ্ডণ কৰি নাপিতক কাঁহী বাটি, বস্ত্ৰ আদি দান কৰা হয়।
ইয়াৰ পিছত প্ৰথাৰ দিনৰ দিনা আদ্যশ্ৰাদ্ধ পাতা হয়। নামঘৰৰ ভকতসকলে আহি নাম প্ৰসঙ্গ কৰি ঘৰসমনক শুদ্ধ কৰে। সেইদিনা ভাত খোৱা নহয় প্ৰসাদ আৰু জলপান হে খোৱা হয়। তাৰে পিছৰ দিনা অৰ্থাৎ বাৰ দিনৰ দিনা 'ভোজ' পাতা হয় সেইদিনা গাঁৱৰ ৰাইজৰ লগতে ইষ্ট-কুটুম্বক আমন্ত্ৰণ কৰি ৰসাঁজ ভাত খুৱায়। লগতে ৰসাঁজ ভাত মৃতকলৈও আগবঢ়োৱা হয়।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ছমৰীয়া অঞ্চলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰঃ

প্ৰত্যেক ব্যক্তিৰ জীৱনত প্ৰধানকৈ তিনিটা উদ্‌যাপন কৰা হয়। সেয়া হৈছে জন্ম, মৃত্যু, বিবাহ। পৃথিৱীৰ সকলো সমাজতে জন্ম মৃত্যু, বিবাহৰ লগত জড়িত কিছুমান নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ আছে। ছমৰীয়া অঞ্চলৰ আঁতকাষীৰ মাজত প্ৰচলিত বিবাহ সম্পৰ্কীয় লোকাচাৰ সমূহ হৈছে।

— বিবাহ হৈছে জীৱনৰ এক বিশেষ অনুষ্ঠান, এক প্ৰাণময় উৎসৱ। ইয়াক ব্যক্তিজনে নিজে উপভোগ কৰিব পাৰে। অসমীয়া সমাজৰ ৰীতি-নীতিয়ে ইয়াক এক অন্য মাত্ৰা প্ৰদান কৰে। হিন্দু ধৰ্মত আঠ প্ৰকাৰৰ বিবাহ আছে সেয়া হ'ল ক্ৰমে- ব্ৰাহ্ম, দৈৱ, আৰ্ষ, প্ৰাজাপত্য, গান্ধৰ্ব, অসুৰ, পৈশাচ আৰু ৰাক্ষস। ইয়াৰে প্ৰথম চাৰিবিধ উত্তম আৰু পিছৰ চাৰিবিধ অধম বুলি শাস্ত্ৰত উল্লেখ আছে। ছমৰীয়া অঞ্চলত প্ৰথম চাৰিবিধ বিবাহকে স্বীকৃতি দিয়া হৈছে যদিও জনজাতীয়া লোকসকলৰ সংস্পৰ্শলৈ আহি



Principal
Chhamaria Anchalik College
HOD
Chhamaria Anchalik College

গন্ধৰ্ব বিবাহৰো প্ৰচলন হৈ ধৰিছে ।

চুমৰীয়া অঞ্চলৰ গাঁওবাসীৰ মাজত একে পৰিয়ালৰ লোকৰ মাজত বিবাহ নিষিদ্ধ । তাৰোপৰি পুৰুষৰ ক্ষেত্ৰত ন-পুৰুষলৈকে আৰু মহিলাৰ ক্ষেত্ৰত সাত পুৰুষলৈকে একে বংশৰ ভিতৰত বিয়া পতাৰ নিয়ম নাই।

বিবাহ হৈছে মাংগলিক কাৰ্য । অসমীয়া সমাজত বিবাহ সম্পৰ্কীয় কথা - বতৰা চলিলেই প্ৰথমে দৰা-কইনাৰ কাষ্ঠি-মোৰা চোৱা হয় তাৰ পিছতহে দৰা ঘৰৰ মানুহ কইনা চাবলৈ যায়, কইনা পছন্দ হলেহে কইনা ঘৰৰ মানুহক দৰা ঘৰ চাবলৈ নিমন্ত্ৰণ জনোৱা হয় । ইয়াৰ পিছত কইনা ঘৰৰ মানুহৰ দৰা আৰু দৰাৰ ঘৰখন পছন্দ হলে ভাল দিন বাৰ চাই দৰাঘৰক কইনাৰ ঘৰলৈ সকলোকে তাৰিখ কৰিব মাতি অনা হয় । সকলো ঠিক ঠাক হলে দুয়োঘৰৰ মানুহৰ পছন্দ হলে শুভ দিনে বাৰ চাপ অনুযায়ী বিবাহৰ দিন ধাৰ্য কৰা হয় ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

বিয়াৰ আগদিনা বা দুদিন আগত জোৰোণ পিন্ধোৱা নিয়ম আছে। ইয়াত দৰাঘৰৰ মিতিৰ কুটুম্ব সকলোৱে আহি কইনাক সাজ-পাৰ, সোণ-অলংকাৰ, প্ৰসাধন সামগ্ৰী, অন্যান্য কিছুমান দ্ৰব্যৰ লগতে সেন্দুৰ আদি দিয়ে। সেন্দুৰখিনি দৰাৰ মাকে কইনাৰ শিৰত আঁকি দিয়ে আৰু বাকীসামগ্ৰীবোৰ দৰাৰ ভনীয়েক, বৌয়েক, জোমিনিয়েক আদিয়ে কইনাক পিন্ধাই উকাই ধুনীয়াকৈ সজায় তোলে। ছমৰীয়া অঞ্চলত জোৰোণৰ দিনা দৰা অহা নিয়ম নাই।

বিয়াৰ দিনা ৰাতিপুৱা পাচটা মান বজাতে উঠি পানী তোলা হয়। এই পানীৰে দৰা-কইনাক ৰাতিপুৱা গা-ধুৱাই দিয়া হয়। তাৰ পিছত সাতটামান বজাত নামঘৰৰ ভকত সমস্ত আহি নাম প্ৰসংগ কৰি দৰা-কইনাক আশীৰ্বাদ দি যায়। দৰা আৰু কইনাঘৰৰ মানুহে সকলো ভকতকে সেৱা জনাই বস্ত্ৰ দান দিয়া নিয়ম আছে। বাৰটামান বজাত ভকত সবৰণৰ কাৰ্য্য সম্পন্ন কৰি জলপান আৰু প্ৰসাদ গ্ৰহণ কৰি ঘৰা-ঘৰি

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

হয় । তাৰ পিছতে বিয়া ঘৰত আলহী কুটুম আত্মীয়বৰ্গৰ আগমন হয় । সকলো নিজৰ নিজৰ সামৰ্থ্য অনুযায়ী যেনে ঘি পায়ৰে সুৰাই । ৰাতি দুই প্ৰকাৰ বজালৈ মাছৰ আঞ্জাৰে খায়কে তাৰ মাজতে দৰা কইনাক নোৱোৱা হয় । নোৱানিৰ পানীখিনি দিনৰ দুটা মান বজাত আই সমন্তই বেনপাৰ্টী লৈ যায় নদীৰ পৰা তুলি আনে আৰু সেইখিনি পানীৰে ৰাতি দৰা আৰু কইনাক নোৱোৱা হয় । কণ্ঠালি খুটি দৰা কইনাক বহুৱাই হাতত তামোল আৰু আঙুঠি দি বিৰি তেল দিয়া হয় তাৰ পিছত গাতে মাহ হালধি সনা হয় ইয়াৰ পিছত তুলি অনা পানী দৰা কইনাৰ গাত ঢলা হয় । নোৱোৱাৰ পিছত দৰা কইনাৰ ককায়েক, ভিনিহিয়েক বা অন্য কোনো জ্যেষ্ঠজনে দাং কোলাকৈ আনি কাঁড়পাৰ ওচৰত বহুৱাই দিয়ে । তাত কিছু নীতি-নিয়ম পালন কৰি কইনাক ভিতৰলৈ লৈ গৈ সজোৱা হয় । আৰু দৰাক চোতালতে সজাই ঘৰ নোসোমোৱাকৈ বাহিৰে বাহিৰে কইনা ঘৰলৈ লৈ যায় । হুমৰীয়া সত্ৰৰ বিকাশ বোৰত

HOD Assamese
Chhamaria Anchalik College

Principal
Chhamaria Anchalik College

ব্ৰাহ্মণৰ বিপৰীতে সত্ৰৰ ভকতে বিবাহ কৰাই দিয়ে । সকলো নীতি-নিয়মেৰে বিবাহ সম্পন্ন কৰি কইনাক দৰা ঘৰলৈ লৈ যোৱা হয় ।

দৰাঘৰ পোৱাৰ পিছত দৰা-কইনাক বৰপীৰাত থিয় কৰাই দুয়োৰে ভৰি ধোৱাই দি দৰা-কইনাক ভিতৰলৈ আদৰি নিয়া হয় । ঘৰৰ দুৱাৰমুখত এগছি মাটিৰ চাকি ৰখা হয় আৰু ন-কইনাক গোৰাৰেৰে চাকি ভাঙি ভিতৰলৈ সোমাব দিয়া হয় ।

বিবাহৰ অন্য এটা লোকাচাৰ হৈছে আঠিমুঠা, নেওঁতা দিয়া আদি । এই সকলোবোৰ নীতি-নিয়মৰ পিছতহে দৰা-কইনাক একেলগে থাকিব দিয়া হয় ।

এনেদৰে নানা-ৰীতি-নীতিৰে আৰু ৰং-ধেমালিৰে জুমৰীয়া সত্ৰৰ বিবাহ কাৰ্য্য সম্পন্ন কৰা হয় ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

৫.৫ ছমৰীয়া সত্ৰৰ উৎসৱ-পাৰ্বনসমূহ :-

<u>সভা মহোৎসৱ :-</u>

ফাগুনৰ শুক্লা দ্বিতীয়া তিথিত বৰবিষ্ণু আতা দেৱৰ আত্মা বৈকুণ্ঠগামী হয়। এজোপা বটবৃক্ষৰ তলত নানা পশু পক্ষীয়ে যেনেকৈ আশ্ৰয় পায়, ঠিক সেইদৰে বৰবিষ্ণু আতা "দক্ষিণ কোণৰ" বটবৃক্ষ স্বৰূপ আছিল। এতিয়াও ছমৰীয়া দক্ষিণ কোণৰ মানুহৰ বাবে বৰবিষ্ণু আতা প্ৰাণ স্বৰূপ হৈ উজ্বলি আছে। আজিও তেখেতৰ বাৰ্ষিক তিৰোভাৱৰ তিথি টো প্ৰতি বছৰে তিনি দিনীয়া কাৰ্য্যসূচীৰে মহা সমাৰোহেৰে সৰ্বাঙ্গ সুন্দৰকৈ সম্পন্ন কৰা হয়। ইয়েই ছমৰীয়া সত্ৰৰ "সভা" বুলি দেশ জুৰি জনাজাত। বহু দূৰ-দূৰণিৰে পৰা লোক আহি এই সমাগমনৰ শোভা বৰ্দ্ধন কৰে।

সভাত অহা সকলো লোকসকলে প্ৰসাদ খোৱাৰ ব্যৱস্থা সুন্দৰকৈ কৰি দিয়া হয়। "দক্ষিণ কুলীয়া বৰবিষ্ণু আতা"ৰ তিৰোভাৱৰ তিথিত অনুষ্ঠিত 'ছমৰীয়া সভা' আহিলে মানে গাঁৱৰ মানুহৰ গাত ডৎ লোহোৰাৰ নিচিনা হৈ পৰে।

এমাহ মান পৰাই সভাৰ খৰচৰ বাবে মানুহে যিমান ধন সংগ্ৰহৰ কামত ব্যস্ত হৈ পৰে। সত্ৰবাসী বাইজৰ ধান-বৰঙণিৰ উপৰিও ওচৰ-চুবুৰীয়া তথা 'দক্ষিণ কোণ'ৰ অনেক গাঁও বাসীয়েও সহায়ৰ হাত আগ বঢ়ায়। গাঁৱৰ প্ৰতি ঘৰ বাসীয়েও সহায়ৰ সামৰ্থ্যানুসাৰে মানুহে চাউল, তেল, মৰিচ, নিমখ, শাক-পাচলি আদি সত্ৰৰ আতা পুৰুষৰ ভঁৰালৈ আগ বঢ়ায়। এনেদৰে বাইজৰ অনুমোদনেৰেই সভাৰ কাম নিয়াৰিকৈ চলি যায়।

ছমৰীয়া সত্ৰৰ গাঁওবাসী বাইজে যিয়ে যিমান পৰিমাণৰ চাউল সত্ৰলৈ আগবঢ়ায় তাক সত্ৰৰ মজুমদাৰে তিনিদিন ৰাখে একাদশীৰ দিনা চাউলৰ অনুপাতে সকলোকে প্ৰসাদৰ মিঠৈ বিতৰণ কৰা হয়। অতীতৰে পৰা বৰ্তমানলৈ এই প্ৰথাটো চলি আহি আছে।

উত্তৰহাটী, দক্ষিণহাটী, মধ্যহাটী আৰু পশ্চিমহাটী - এই চাৰিহাটী বা মূল চাৰিখন 'পাৰা' লৈ হৈছে ছমৰীয়া সত্ৰ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

স্থূণা কুণ্ডী চাৰি এনেৰ লগত সুঠি বাৰ মেন 'পাৰা' বা টুবা সাঙোৰ এটাই আছে। "হিৰা পাৰা" নামৰ এটা টুবা আছে। তাতে হিৰা সম্প্ৰদায়ৰ কিছু লোক বাস কৰে। তেওঁলোকে মাটিৰ সাজ বাচন তৈয়াৰ কৰি সত্ৰত প্ৰয়োজনীয় মাটিৰ বাচনৰ যোগান ধৰে। চুমৰীয়া সত্ৰৰ পৰা কিছু দূৰত থকা "দাবি সত্ৰ"ৰ হিৰা সম্প্ৰদায়ৰ লোকসকলেও মাটিৰ বাচন চুমৰীয়া সভাৰ বাবে যোগান ধৰি আহিছে। ইয়াৰ উপৰিও বকো মৌজাৰ অন্তৰ্গত টেপিচায়া গাঁৱৰ কুমাৰ সম্প্ৰদায়ৰ লোক সকলেও চুমৰীয়া সভালৈ মাটিৰ বাচন আগবঢ়াই আহিছে বংশানুক্ৰমে আজিলৈকে এই দায়িত্ব তেওঁ লোকে গভীৰ শ্ৰদ্ধাৰে পালন কৰি আহিছে। প্ৰত্যেক খাটীয়ে সভাৰ সময়ত নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সেৱাৰ মনোভাৱেৰে পালন কৰি আহিছে। চুমৰীয়া সভাৰ পিছত সত্ৰই পাতি দিয়া বৰাই ঘৰে ঘৰে গৈ চুমৰীয়াৰ প্ৰতি ঘৰ মানুহক 'এক কঠাকৈ' চাউল দিয়াৰ নিয়ম আছে। মাটিৰ বাচন আগবঢ়োৱা টেপিচায়া আৰু দাবি সত্ৰৰ লোক সকলোকে জনে প্ৰতি এক কঠাকৈ চাউল দিয়া প্ৰথা আছে।

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

চুমৰীয়া সত্ৰৰ অঞ্চলৰ কেইদিনমান আগৰ পূৰ্ণিমা তিথিত সমূহ বাইজে মিলি "পকা কামত" বক্তা হয়। পকা কামটো আৰম্ভতে সত্ৰবাসী বাইজৰ প্ৰায় ভাগে ঘৰতে হাতে আমোলাৰ আনি সত্ৰৰ আতা পুৰুষৰ ভড়ালটো আগ বঢ়ায় আৰু সেৱা জনায়। ইয়াৰ এটা বিশেষত্ব হ'ল এয়ে যে বেকেলী মৌজাৰ অন্তৰ্গত বাগা পামাৰ গাঁৱৰ "গৌৰিসিং পাটোৱাৰী"ৰ বংশধৰ সকলে আজিকোপতি পুত্ৰ-পৌত্ৰাদি ক্ৰমে 'বগন'ৰ বাবে প্ৰয়োজনীয় সমস্ত আমোলাৰ যোগান ধৰি আহিছে আৰু আৰু চুমৰীয়াৰ 'ধনী চৌধুৰী'ৰ বংশধৰ সকলে এতিয়া পৰ্যন্ত পুত্ৰ-পৌত্ৰাদি ক্ৰমে টামাই কামৰ সজুলিৰ যোগান ধৰি আহিছে। "দক্ষিণ কোণৰ" শিষ্য-প্ৰশিষ্য থকা সমূহ গাঁৱকে "বগন" দিবলৈ তথা সভাৰ আগ জাননী দিবলৈ পঠিয়াবৰ বাবে মানুহ নিৰ্বাচন কৰা হয়। গাঁও বিশাকত সভাৰ 'বগন' দিয়া প্ৰথা আজিও বিদ্যমান।

অমাৱস্যাৰ দিনা বেলেগ বেলেগকৈ প্ৰত্যেকটো হাটীৰ যুৱক-যুৱতী, বাপ-আয়তী মিলি খোলা-তাল, নাম গুণেৰে ৰজন-জনাই, বোমা মৰকা ফুটাই "চুণৰ ভোৰ" দিয়াৰ নিয়ম আছে

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

“দুপৰ ভাৰ” দিওঁতা সকলক প্ৰসাদ ভোজ-ভাত সমাবেশে সভাৰ পিছত সত্ৰৰ পৰা 'চৈতল-জিৰা' দিয়াৰ প্ৰথা আছে। “দুপৰ ভাৰ” কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰিলে সভাৰ কাৰ্য্যসূচী চাৰিদিনীয়া হয়। দ্বিতীয়া দিনা শুক্লা প্ৰতিপদ। সেইদিনা “সভাৰ গন্ধ”ৰ দিনা ভটিবেলা প্ৰতি 'পাৰা'ৰ পৰা সকলো শাক-পাচলিৰ ভাৰ সত্ৰত দিয়েহি। তাৰ পিছ মুহূৰ্ত্তেই এক বিশেষ আড়ম্বৰে 'গুৰু' উলিওৱা কাৰ্য্য সূচীৰ সূচনা কৰা হয়। দোপৰত আসনকে স্থানীয় ভাবে 'গুৰু' আখ্যা দিয়া হয়। ঢোলে-তালে, ভোলে-ডগৰে, বেন-পাৰ্টিয়ে, হৰি নামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি এক বৰ্ণাঢ্য শোভাযাত্ৰাৰে নাম ঘৰৰ পৰা 'গুৰু' উলিয়াই তাতৰ 'মণিঘৰটো'লৈ লৈ যোৱা হয় আৰু তাত 'গুৰু আসন' স্থাপন কৰা হয়। অসমৰ বিভিন্ন প্ৰান্তৰ ধৰ্মপ্ৰাণ ব্যক্তিয়ে ইয়াত যোগদান কৰে। শ-শ লোকৰ সমাগম আৰু অজস্ৰ বোমা, ফটকা, ফুলজাৰীৰ চমকনীয়ে এক অদ্ভুতপূৰ্ব্ব দৃশ্যৰ সৃষ্টি কৰে।

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

এই মনোৰম দৃশ্যই মানুহক যথেষ্টকৈয়ে আকৰ্ষিত কৰে। প্ৰায় সকলোবোৰ লোকে দোকানৰ পৰা সুৰুমা, বাতাচা, কদম আদি মিঠৈ কিনি 'গাহেং'ৰ গাৰ্লি দলিয়াই 'গাহেং'ৰ কৃপা ভিক্ষা বিচাৰে। সেই মিঠাই বোৰ বুটলি মানুহে ভক্তি সহকাৰে গ্ৰহণ কৰে। এই দিনিটো এটা কথা উল্লেখ কৰিব পাৰি যে “গাহে” উলিওৱাৰ সময়ত বোমা ফুটকা ফুটোৱাৰ প্ৰাদুৰ্ভাৱ ইমান বেছি হৈ পৰে যে বহু মানুহৰ কাণৰ সুৰি অনিষ্ট সাধন হয়। বৰ্তমান অনেকবোৰ কথাৰ ওপৰত লক্ষ্য ৰাখি অসমৰ ফালৰ পৰা যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে। ‘মলা ঘৰত’ ‘গাহে’ থোৱাৰ পিছত গায়ন-বায়নে মিলি “মেলা গীত পৰিৱেশন” কৰে। বৰগীতৰ নিজস্ব সুৰ-তাল-মান আছে। এই সুৰ-তাল-মান অব্যাহত ৰাখি দুটা বৰগীতৰ যিকোনো এটাৰ সুৰ-তাল-মান ভাঙি ইয়াৰ নিজস্ব পাৰিপাৰ্শ্বিক পৰা মুকলি কৰি আনি ইয়াৰ লগত নাচৰ সংযোজন কৰি গোৱা হয় যাৰে ইয়াক “মেলা গীত” বোলে। সেই গীত দুটা হ'ল —



Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

(কি) ‘আগো ভাই, গোকুলে, আনন্দ জয় জয়’।

(মাধৱদেৱৰ বিৰচিত)

(খ) ‘আগো ভাই, চল আইজ যাই’।

(মাধৱদেৱৰ বিৰচিত)

তাৰ পিছৰ পৰা এক শোভাযাত্ৰীয়ে নাম পাটী, যাত্ৰা পাটী আদি প্ৰদৰ্শনৰ ব্যৱস্থাৰে ‘গছে’ বুলি ওচৰে নিশা ‘সভা খলা’ ৰঞ্জন-ভজনাই ৰসা হয়।

‘সন্ধ্যা’ৰ দিনা পৰৱৰ্তী, নৱাকণাই নদীত সৰা তাৱৰ মাজুৰ ট্ৰক্‌বাৰে যাত্ৰী সকলক সিধা-পাতি দিয়াৰ ব্যৱস্থা কৰা হয়। চাউল-পাতৰ লগত ৰান্ধোনৰ যাৱতীয়া সকলো সিমনি সুবিধাকৈ কৰি দিয়া হয়। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে ডুমৰীয়াৰ প্ৰথম বাসিন্দা “বুলা বুঢ়া”ৰ বংশধৰৰ সকলো পুত্ৰ-পৌত্ৰাদি ক্ৰমে প্ৰতিয়াগে “কঠি ধৰা” নিয়ম আছে। আনহে পুৰুষৰ ভেজাৰৰ পৰা প্ৰথম উপকাৰী চাউল আনাকে “কঠি ধৰা” বোলা হয়। তেওঁ উপবাসে থাকি বিশেষ নিয়ম নীতিৰে এই কাৰ্য্য লগত অংশ গ্ৰহণ কৰিব লাগে। সিধা দিয়াৰ

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

আগমুহূৰ্ত্তত তিনিবাৰকৈ ওপৰত দিয়া ধৰণে আহ্বান কৰা হয় —

(ক) দক্ষিণে কুলীয়া বৰবিষ্ণু আতাৰ তিৰোভাৱ তিথি উপলক্ষে যদি কোনোবা আহিছে, তিঁৱা পৰলৈ আহক। এই ধৰণে তিনিবাৰ কৈ আহ্বান কৰা হয়।

(খ) বৰপেটা সত্ৰৰ সমূহ অধিকাৰ, সন্ত, মহন্ত যদি কোনোবা আহিছে, তিঁৱা পৰলৈ আহক

(গ) পূবে বৰদোৱা, কমলাবাৰী সত্ৰৰ যদি কোনোবা আহিছে, তিঁৱা পৰলৈ আহক।

(ঘ) পশ্চিমে ভেলা সৰুপুৰ, কাকত কুটা সত্ৰৰ যদি কোনোবা আহিছে, তিঁৱা পৰলৈ আহক।

(ঙ) দক্ষিণে মাঠি সত্ৰৰ যদি কোনোবা আহিছে তিঁৱা পৰলৈ আহক।

(চ) চাৰিজন মহাজনৰ বংশৰ যদি কোনোবা আহিছে, তিঁৱা পৰলৈ আহক।

চাৰিজন মহাজনৰ বংশ বুলিলে ৰামচৰণ ঠাকুৰ, নাৰায়ণ দাস ঠাকুৰ আতা, পাটিয়াৰ মাধৱ আতৈ আৰু লক্ষ্মীকান্ত আতৈ (বৃপগুৰিৰ) বংশকে বুজোৱা হয়। ধৰ্মৰ মহাজন হিচাপে এই চাৰিটা বংশৰ বিশেষ


Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

স্তৰুত্ব আছে বাবে তেওঁলোকৰ বংশক আহ্বান কৰা হয়।

এইদৰে আহ্বান কৰা হোৱাৰ পিছত মুখ্য হাতিৰ ভকত বৃন্দক প্ৰথমে জিৰা দিয়াৰ দিয়াৰ পাতনি মেলা হয়। তাৰ পিছতে বৰপেটা অঞ্চলক প্ৰাধান্য দিয়া হয়। এইদৰে ক্ৰমে সকলো যাত্ৰীৰ জিৰা দিয়াৰ ব্যৱস্থা কৰা হয়। চাউল-দাইল, শাক-পাচলি, তেল, নিমখ, গুৰি, চতীয়া, বাঙ্কোনৰ অঞ্জলি আদি দিবলৈ ভাগে-ভাগে দায়িত্বত মানুহে থাকে। তাৰোপৰি যাত্ৰী বিলাকৰ থকা-মেলাৰ বাবে অত্ৰবাসী বাইজৰ ঘৰৰ পৰা সুবন্দোবস্ত কৰি দিয়া হয়।

তৃতীয় দিনা শুক্লপক্ষৰ দ্বিতীয়া তিথি। উক্তদিনাই দক্ষিণ কোণৰ একশৰণ ভাগৱতী ধৰ্মৰ গুৰি ধৰা ধৰ্মীত বৰবিষ্ণু আতাৰ তিৰোভাৱ তিথি। এই দিনটোক অত্ৰীয়া লোকসকলে "ভৰসজা" ৰূপে আখ্যা দিয়ে। তিথিৰ দিনা তাঙৰ 'মণী ঘৰটোত আগদিনা স্থাপন কৰা গুৰু আসনৰ সন্মুখত সকলো সন্ত-মহন্ত,

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

ভকত আৰু আয়তী অৱতীৰ্ণ হৈ নাম প্ৰসঙ্গ কৰে । নাম প্ৰসঙ্গৰ শেষত বিতৰণ ব্যৱস্থা কৰা হয় । পিছত বাৰ গোপালৰ দ্বাৰা "ভোজন বিহাৰ" ভাওনাখন প্ৰদৰ্শন কৰা হয় । গধূলী পুনৰ যাত্ৰী সকলৰ বাবে পূৰ্বৰ নীতিৰে সিধা দিয়াৰ ব্যৱস্থা কৰা হয় । যাত্ৰা পাৰ্টি প্ৰদৰ্শন কৰি সিদিনাৰ নিশাটোত 'সভাস্থলী' আনন্দ মুখৰ কৰি ৰখা হয় ।

শুক্লাপক্ষৰ তৃতীয়াত সভাৰ শেষ কাৰ্য্যসূচী । "মণী ঘৰত" স্থাপন কৰা ভাগৱত আসনখন পূৰ্বৰ স্থানত স্থাপনা কৰিবলৈ এক বিশেষ আকৰ্ষণীয় ব্যৱস্থা কৰা হয় । সেই উপলক্ষে বাটৰ নাটৰ আবৃত্তি প্ৰভৃতি বহুৰে কৰা "ৰাম-বিজয়" ভাওনাৰ ৰাতিৰ ভাগতে ৰাম-সীতাৰ বিদায়ৰে 'মণীঘৰ'ত আৰম্ভ কৰা হয় আৰু শেষাংশ কীৰ্তন ঘৰৰ 'পকা কাম'ত শেষ কৰা হয় । ইয়াক চাবলৈ মানুহ 'পকা কাম' ভৰি পৰে । অগণন ধৰ্মপ্ৰাণ ব্যক্তিয়ে ইয়াত অংশ গ্ৰহণ কৰি ভক্তি প্ৰদৰ্শন কৰে ।

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

সভাৰ নামত বিভিন্ন দোকান-পোহাৰে যে 'সভাস্থলী' ভৰি পৰে । তাৰোপৰি থিয়েটাৰ - চিনেমা আদিয়ে বিৰাট জনস্ৰোতৰ সৃষ্টি কৰে । সভাস্থলী যেন জাক-জমক হৈ পৰে । সভাৰ শেষ কাৰ্য্য সূচী সমাপন কৰে । পিছুতো কমেও আৰু দুই-তিনি দিনলৈকে পোহাৰি নিচিগাকৈ মানুহৰ সোঁত বৈ থাকে । হিন্দু-মুছলমান উভয়ে 'ছমৰীয়া সভা'ত অংশ গ্ৰহণ কৰি সভাৰ শোভা বৰ্দ্ধন কৰাৰ লগতে হিন্দু-মুছলমানৰ শান্তি-সম্প্ৰীতিৰ এনাজৰী ভাল আৰু সুদৃঢ় কৰি তোলে । "শংকৰ-আজানৰ দেশ" বোলা কথাষাৰৰ যথাৰ্থতা ছমৰীয়া সভাসমূহত হিন্দু-মুছলমানৰ মিলনেই প্ৰতিপন্ন কৰে । বিভিন্ন জাতি-উপজাতিৰ বাবে নাম ঘৰৰ 'প্ৰবেশ দ্বাৰ' সভাৰ কেইদিন মুকলি থাকে । তিৰোতা সকলেও নামঘৰৰ ভিতৰত সোমোৱাৰ সুযোগ লাভ কৰে । "ছমৰীয়া সভা" যেন এক মহা-মিলনৰ তীৰ্থ স্থান হৈ পৰে । বিভিন্ন ভাষা-ভাষী, বিভিন্ন সম্প্ৰদায়, বিভিন্ন ধৰ্মৰ

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

লোকৰ মাজত এই সত্ৰ সকলৰ যোগেদিয়েই যেন এক ঐক্য সংস্কৃতি স্থাপন হয়। বৰবিষ্ণু আতাৰ মহিমাৰে মহিমান্বিত হৈ চিৰদিনে, চিৰকাল, চিৰউজ্জ্বল হৈ থাকক হুমবীয়া সত্ৰ।

## দৌল উৎসৱঃ—

ফাগুন মাহৰ কৃষ্ণ পক্ষৰ প্ৰতিপদত দৌল উৎসৱ উদযাপন কৰা হয়। দৌল উৎসৱত চাউল আৰু 'গন্ধ তেল' কণাৰ দোলাত দিয়া এক বিশেষ প্ৰথা আছে। 'গন্ধ তেল' বুলিলে বিভিন্ন সামগ্ৰীৰে সজত প্ৰস্তুত কৰা এক বিশেষ ধৰণৰ তেল। দৌল উৎসৱৰ শেষৰ দিনা মগবুৰা মেলা হয় আৰু ৰঙেৰে ৰাঙলী হৈ লৰা-বুঢ়া, যুৱক যুৱতী, আয়তী মিলি ঈশ্বৰৰ নাম গুণেৰে মুখৰিত কৰি ভাগৱত ঘৰ আৰু আসন সকল (গোহে) লৈ কামৰ পথাৰলৈ লৈ যোৱা হয়। আগে আগে এজনে পানী ছটিয়াই পবিত্ৰ কৰি যোৱা হয়। তাৰ পাছত ঘূৰি আহি নাম ঘৰটোৰ চাৰিও ফালে সাত পাক ঘূৰাই প্ৰতি পাককতে 'পৰম


Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

কামত "হাঁহাৰ ধৰা" হয়। গায়নে পাছতেই হাঁহাৰ ধৰে (চন্দ বদ্ধ ভাৱে প্ৰশ্ন কৰে) আৰু শ্ৰীকৃষ্ণৰ পাছতেই তাৰ সমাধান উত্তৰ দিয়ে। এইদৰে প্ৰতি পাক ঘূৰোতে হাঁহাৰ ধৰি প্ৰশ্ন কৰা হয় আৰু গায়কৰ অভিপ্ৰেত প্ৰশ্নৰ উত্তৰ দিয়াৰ পাচতহে অন্তিম পাকত গায়কে শ্ৰীকৃষ্ণক ঘৰত প্ৰৱেশ কৰিব দিয়ে অৰ্থাৎ ভকত সকলে মিলি 'গহেক' কীৰ্তন ঘৰৰ ভিতৰত পূৰ্বৰ স্থানত স্থাপন কৰে। অতি আমোদজনক হৈ পৰে পৰিৱেশটো। 'হাঁহাৰ ধৰা'ৰ প্ৰশ্নোত্তৰৰ উদাহৰণ তলত দাঙি ধৰা হল —

ধৰণি :— উপজিলা পৃথিৱীসমন দিন নে ৰাতি, উপজিলা পৃথিৱীসমন কোনে আছিলা চাই, উপজিলা পৃথিৱীসমন কোনে চৌদিলক নাই?

পেৱেনিঃ- গোসাই ঈশ্বৰে কহিছে উপজিলা পৃথিৱীসমন দিন নহয় ৰাতি উপজিলা পৃথিৱীসমন চিত নহয় কাটি, উপজিলা পৃথিৱীসমন চন্দ্ৰ সূৰ্য আছিলা চাই, উপজিলা পৃথিৱীসমন অনন্ত কুমাৰ চৌদিশক নাই।

HOD Assamese
Chhamaria Anchalik College
Principal
Chhamaria Anchalik College

## শ্ৰী কৃষ্ণৰ জন্মাষ্টমী :-

ভাদ্ৰ মাহতেই শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। কৃষ্ণ জন্মাষ্টমীৰ দিনা "শ্ৰীকৃষ্ণৰ জন্ম যাত্ৰা" নামৰ এখন ভাওনা নামঘৰৰ ভিতৰতে কৰা হয়। ইয়াত কৃষ্ণৰ জন্মৰ কাৰ্য্য কলাপ প্ৰদৰ্শিত হয়। এই ভাওনাখন কৰাৰ আগে-আগে ঢোলা-তালৰ "বৰ-ধেমালী" গায়ন-বায়ন সকলে-আৰম্ভ কৰে। তাৰ পিছত নাম ঘোষাৰ পদেৰে ঢোল-তালৰ চেউ দিয়ে। ঢোল তালৰ লগত সংগতি ৰাখি গায়ন বায়ন সকলে "মালচী" গায়। তাত হুমৰীয়া সভৰ ইতিবৃত্তত সুৰ ধৰি গায়। এই সকলোবিলাক একেলগে অসমীয়া ভাষাত 'মালচী' বোলে।

পিছদিনাখন নৃত্য প্ৰসঙ্গৰ পিছৰ পৰা নন্দোৎসৱৰ কাৰ্য্যসূচী আৰম্ভ কৰা হয়। নন্দোৎসৱৰ কাৰ্য্যসূচী অতি মনোৰম, অতি গুৰু-গাম্ভীৰ্য্য পূৰ্ণ। নামঘৰৰ ভিতৰৰ পৰা কাৰ্য্যসূচী আৰম্ভ হৈ পিছত বাহিৰলৈ আহি মঠৰ ঘৰৰ চোতালত থিয় হৈ বহু সময়

Principal
Chhamaria Anchalik College

HOD, Assamese
Chhamaria Anchalik College

ভিন্ন নাম গায় । ঘোষাৰ চেৰে চেৰে প্ৰজনে আঙ্গি-ভঙ্গিমাৰে নৃত্য কৰাৰো নিয়ম আছে । নাম গাই থাকোঁতে ভকতৰ মমাত তেল দিয়া আৰু কণাহে-কণাহে পানী ঢলাৰ প্ৰথা প্ৰতিয়াও বিদ্যমান । আন এটি বিশেষত্ব হ'ল শেষৰ কাৰ্য সূচীত ভকত সমস্তই মৰা কলহী নদীৰ এককাষৰ পানীত নামি ঘোষা গোৱা হয় । কি যে এক ভক্তি-ভৰা পৰিবেশ । নাম গোৱা গাইৰ্মিনিতে ভকতৰ সাংকলিক ধ্বনি পেকৰ (পেকা) সৃষ্টি হয়, সেই 'পেক' জনসাধাৰণে ভক্তি সহকাৰে সংগ্ৰহ কৰে আৰু কপালত ফোঁট লয় । 'পেকা যাত্ৰা' আৰু 'পাতুলী' শব্দ দুটা নন্দোৎসৱৰ দুটা বিশেষ অংগ ।

চুমৰীয়া সত্ৰত বাস কৰা অনুগামীসকলে কৃষ্ণ জন্মাষ্টমীৰ দিনাসমন সকলোৱে ঘৰে ঘৰে নাম ধৰি প্ৰসাদ আৰু চাহ খোৱা হয় । কৃষ্ণ জন্মাষ্টমীৰ দিনাইমনে খোৱা প্ৰসাদবিধ নাৰিকল, গুৰা আৰু চেনীৰে বিশেষভাৱে বনোৱা হয় ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## শ্ৰীমন্ত শংকৰদেৱৰ শুভজনাৰ আবিৰ্ভাৱ তিথি:-

আহিন

মহাগুৰু শ্ৰীমন্ত শংকৰদেৱৰ শুভজনাৰ আবিৰ্ভাৱ তিথিটো অতি উলহ মালহেৰে বিভিন্ন কাৰ্য্য সূচীৰে অনুষ্ঠিত কৰা হয়। তাৰ ভিতৰত প্ৰথম কাৰ্য্যসূচী "প্ৰভাত ফেৰী" বা "ভাগৱত ভ্ৰমণ"। পুৱাৰ ইঘৰৰ পৰা সিঘৰলৈ হৰি নাম-সংকীৰ্তনেৰে ভাগৱত ভ্ৰমণত ভকত-বাপ-বান্ধৱ, আয়তী-সমস্তই এই কাৰ্য্যসূচী সম্পাদন কৰে। পুৱাৰ ডেকা বোৰে ধুতি চোলা পিন্ধি আৰু ছোৱালীবোৰে মেখেলা-চাদৰ পিন্ধি পদূলিয়ে-পদূলিয়ে বৰগীত গাই যায়। পদূলিয়ে-পদূলিয়ে গৃহস্থই ভক্তি ভৰা সেৱা জনায় আৰু অৰিহণা হিচাপে 'প্ৰণামী' আগবঢ়ায়। সেই অৰিহণা সমূহ নামঘৰৰ একত দুই তিনিজনে শৰাই এখনতকৈ লৈ লয় আৰু অৰিহণা সমূহ নামঘৰৰ মণিকূটত দিয়া হয়। 'ভাগৱত ভ্ৰমণ' কৰি আহি প্ৰসঙ্গ আৰু ভাগৱত পাঠ কৰি সকলোকে প্ৰসাদ বিতৰণ কৰি দিয়া হয়। সকলোৱে প্ৰসাদ গ্ৰহণ কৰি ঘৰা ঘৰি হয়। ইমানতে দিনৰ

Principal
Chhamaria Anchalik College



HOD Assamese
Chhamaria Anchalik College

কাৰ্যসূচীৰ সামৰণি ঘটে।

এইখিনি আকৌ সকলো বাপ-আই সমস্ত যুৱক-যুৱতী, বয়স কম লৰা-ছোৱালী সকলোৱে বৰ্ষালোচনী সভাত যোগদান কৰে। বৰ্ষালোচনী সভা শেষ হোৱাৰ পিছত সত্ৰীয়া নৃত্যৰ প্ৰতিযোগীতা, লোকগীতৰ প্ৰতিযোগিতা আৰু শংকৰদেৱৰ জীৱনৰ ওপৰত কুইজ প্ৰতিযোগিতা হয়। প্ৰতিযোগিতাবোৰ শেষ হোৱাৰ পিছত ৰাতি ভাওনা প্ৰদৰ্শিত কৰা হয়। এই ভাওনাসমূহ উঠি অহা যুৱক-যুৱতীয়ে প্ৰদৰ্শন কৰে। ইয়াত অধিকাংশ যুৱক-যুৱতীয়ে বিশেষভাৱে অংশ গ্ৰহণ কৰাটো অতি শুভ লক্ষণ।

অতীতৰ পৰা বহুতো নীতি-নিয়ম সলনি হ'ল যদিও প্ৰতিয়াও কিন্তু চমৰীয়া সত্ৰবাসী ৰাইজে সকলো উৎসৱ অনুষ্ঠান অতি উলহ-মালহেৰে পালন কৰি আহিছে। ইয়াত যুৱক-যুৱতীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## শুক্ল দুত্জনৰ ভিৰোভৰ তিথিঃ-

ভাদ্ৰ মাহত শুক্ল দুত্জনাৰ ভিৰোভাৰ তিথি পালন কৰা হয়। শুক্লদুত্জনাৰ তিথিৰ দিনাসমন নাম প্ৰসংগ কৰি প্ৰসাদ বিতৰণ কৰাৰ পিছত "ভোজন বিহাৰ" ভাওঁনা তথা বাৰগোপালৰ নৃত্য বা "নটু বা নাচৰ" দ্বাৰা পৰিবেশন কৰা হয়। মানুহবোৰে বাৰগোপালবোৰৰ মঙল-মূল্য আদায় কৰাই। এই মঙল মূল্য ভাবিব নোৱাৰাকৈ ভৰি পৰে। ইয়াৰ পিছত অঞ্চলৰ সন্মুখত অথবা নদী ঘাটত "নাও-খেলা প্ৰতিযোগিতা" অনুষ্ঠিত কৰা হয়, এই খেলা অতীজৰে পৰা চলি আহিছে। এই 'নাওখেলা' চাবৰ বাবে ওচৰ চুবুৰীয়া গাঁওসমূহৰ এই গাঁওসমূহৰ বিভিন্ন জনজাতীয় লোকবোৰে লোকাৰণ্য হৈ পৰে। নদীৰ দুই পাৰে অগনন লোক আৰু অজস্ৰ নাওৰ সমাবেশ ঘটে। বহু দূৰৰ পৰা নিজুৰিপাৰ মানুহৰ সোঁত বৈ থাকে। কি যে এক মনোৰম দৃশ্য। পানীৰ উজানৰ পৰা ঢাপলি মেলা বিভিন্ন জাতি-

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

উপজাতিৰ লোক একাকাৰ হৈ যায়। ইয়াত
যেন সমন্বয়-সম্প্ৰীতি অক্ষুণ্ণ ৰখাত বহু
পৰিমাণে অৰিহণা যোগাই আহিছে।
শুক্ৰ দুজনাৰ দুয়োটা তিথিৰ পিছদিনা
"প্ৰসাদ" দিয়াৰ ব্যৱস্থা আছে।
শুক্ৰ দুজনাৰ তিথিৰ পিছৰ দিনা অৱশিষ্ট
প্ৰসাদ বিলোপে দিয়া হয়। অঞ্চলৰ সবাই
প্ৰতি ঘৰ মানুহৰ ঘৰে ঘৰে গৈ এই
প্ৰসাদ দি হৈ আহে। প্ৰতি ঘৰ মানুহে
এই প্ৰসাদ লোৱাটো বাধ্যতামূলক।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

মাঘ বিহুঃ-

অতীতৰ পৰম্পৰা মতে মাঘৰ সংক্রান্তিত তুমৰীয়া বিপৰীতে কাঠ বা খৰিৰ মেজি জ্বলোৱা হয়। ইয়াক স্থানীয় ভাষাত "বুনষ্টি পূজা" বুলি কোৱা হয়। ইয়াত স্থানীয় ডেকা লৰাবোৰে প্ৰতি ঘৰৰ পৰা কাঠ খৰি সংগ্ৰহ কৰি গাত্ৰৰ অনুসৰণত (মৈকুদৰ বাহিৰত) "বুনষ্টি" জ্বলোৱাৰ ব্যৱস্থা কৰে। তাত ডেকা-বুঢ়া সকলোৱে গান-বাদ্য নাম কীৰ্তনেৰে উজাগৰে নিশা কটায়। এই মেজিৰ জুই দুই-তিনিদিনলৈকে জ্বলি থাকে। লোক-বিশ্বাসতে সৰু লৰা-ছোৱালী আৰু মহিলাবোৰে নদীত গা ধুই উঠি সকলোৱে এই বুনষ্টিৰ জুই গাত লগাই শৰীৰ শুদ্ধ কৰে আৰু লগতে ইয়াৰ 'ছাইৰে' কপালত ফোঁট লৈ নিজক পবিত্ৰ অনুভৱ কৰে।

বছৰি উদযাপন কৰা এই তিথি-পৰ্ববোৰত অত্যই খৰচ কৰাৰ ফলত আৰ্থিক পৰিমাণ বেছি হৈ পৰে।

HOD Assamese
Chhamaria Anchalik College
Principal
Chhamaria Anchalik College

৮.০ সংগ্ৰহ কৰা পুৰণি তথ্য :-

উমাকান্ত হুজৰ অধিকাৰী আৰু শ্ৰীঅচ্যুত কান্ত অধিকাৰীৰ দ্বাৰা সম্পাদিত " শ্ৰীবৰবিষ্ণু আতা চৰিতৰ পৰা সংগ্ৰহ কৰা পদ্যাংশ -

" বিষ্ণু আতাৰ চৰণে কৰি শত সেৱা
আহ্লান উপৰি বংশ কথা কিছু কওঁ ॥
বিক্ৰমপুৰৰ গৌৰেশ্বৰ মহাজন ।
তানে পুত্ৰ গৌৰবৰ অতি বিচক্ষণ ॥
তানে পুত্ৰ গৌৰাঙ্গ মণ্ডল শুদ্ধ মতি ।
শিৰোমণি পুত্ৰ হৈলা তাৰ সন্ততি ॥
তানে পুত্ৰ বিৰোমণি নামত প্ৰখ্যাত ।
কামদেৱ তানু পুত্ৰ জানিবা সাক্ষাত ॥
ওমলান্তে বাল্যকাল সমাপতি হৈলা ।
তাত পাছে যুৱা কাল উপস্থিত হৈলা ॥
বিয়া কৰিলন্ত পাছে একমানি কন্যা ।
সৰ্ব্বজন প্ৰশংসিত ৰূপে - গুণে ধন্যা ॥
কতো দিন অন্তে কামদেৱ গৃহিণীত ।
হৈলা ৰাজপুত্ৰ এক আইৰ গৰ্ভত ॥
দশ মাস দশ দিন হলা পি যাওত ।
জাত হৈলা বিষ্ণু আতা সেহি মুহূৰ্ত্তত ।



Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

আঘোণৰ শুক্ল পক্ষ তিথি একাদশী ।
জন্ম ধৰিলন্ত আতা শুভক্ষণে আসি ॥
শুনি ৰামচন্দ্ৰে যেন্না সবত্ৰে আনিলা ।
শুভ্ৰ মুখ দেখি মহা উৎসৱ কৰিলা ॥
সুবৰ্ণৰ জল দিয়া স্নান কৰাইলা ।
মঙ্গলাচৰণ আদি অন্তে কৰিলেক ॥
পাছে দিলা গোপীবৰ দৈৱজ্ঞক আনি ॥
কৰাইলা নামকৰণ জ্যোতিষক গণি ॥
গণি শ্ৰীতি কংসাৰি যে নামক ৰাখিলা ।
হৰিষিত মনে বহু দানক কৰিলা ॥

জাত কৰ্ম অন্তে আতা দিনে অৱসানে ।
দ্বিতীয়াৰ চন্দ্ৰ যেন বাঢ়ে অনুক্ষণে ॥
চুচুৰি সুন্দৰ কাতো আঠু বগাড়ি ।
স্মিত দাৰুণ দিয়া কত সুন্দৰ পৰবি ॥
শৈশৱ চৰিত্ৰ আমে ক্ৰমিমানে মাত্ৰ ।
যুবাৰ চৰিত্ৰ আৰু শুনা কিছু কওঁ ॥
বিক্ৰমপুৰত আতা আছে কতো দিন ।
মৃত ভৈলা তাত পিতৃ বন্ধু গণ ॥
দুখ কৰি পৰিয়ালে কেন্দো নাবাছিলা ।
বিষাদিত, দুখী আতা উজাই আসিলা ॥

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

পন্থে বাটে আসে যেবে মাগচা পাইলো ।
সন্ধ্যা সমাগতে আতা বাসাক সুধিলা ॥
আছে এক বৃদ্ধা তৈতে আন স্থানে গৈলা ।
কৈৰ স্থানে আসিলাহা কি কুল তোমাৰ ॥
দিলন্ত আতায়ে পাছে উত্তৰ ইহাৰ ॥
বিক্ৰমপুৰত জন্ম কায়স্থ কুলত ।
বংশ পৰিমাণ মোৰ আছিলা বহুত ॥
কংসাৰি যে নাম মোৰ জানিবাহা সাৰ ।
ছুমকুৰি পৰিমাণ মৰিলা আমাৰ ॥
পিতৃ মাতৃ আদি কৰি সবে মৰিলেক ।
বিস্তৰ কি কৈব আমি জানা প্ৰত্যেক ॥
এহিসে কাৰণে আমি বিষাদিত হৈয়া ।
আসি আছো জানা নিজ দেশক এৰিয়া ॥
এহি বুলি আতা পাছে নমিতা ৰহিলা ।
থাকা আত বুলি বৃদ্ধা ঘৰ এক দিলা ॥
চন্দ্ৰ দুৰ্গা তান নাম অতি শুদ্ধ মন ।
তাহানে স্থানত আতা আছে কত দিন ॥
একদিনা বৃদ্ধা পাছে বুলিলা বচন ।
শুনিয়োক মোৰ কথা বাপু শুদ্ধ মন ॥
দুহিতা আছয় একখানি মোৰ ঘৰৰ ।

Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

বিদ্যা দিওঁ বাপু বিদ্যা কৰিয়ো অন্তৰে ॥
বোলন্ত আতায়ে হাসি বদন প্ৰকাশ ।
কি দেখি দুহিতা দিবা নাই সুগুণ-ৰূপ ॥
নাহি ধন-জন অলঙ্কাৰ স্বৰ্ণ মোৰ ।
কোন্হিতে ৰাডিবো কন্যাধনি তোমাসব ॥
হাসি দুজনা বোলে বাপু কিছুকে নাপাচো,
দেওঁ বিদ্যা মাত্ৰ বিদ্যা কৰিবাক লাগে ॥
আতায়ে বোলন্ত অনুগ্ৰহ তোমাসাৰ ।
শুনি দুজনা আনন্দক কৰিলা অপাৰ ॥
জ্ঞাতি বন্ধু সবাগ্যাস্কো দ্বিজগণেৰে মাতি ।
কন্যাক জোৰোণ দিয়ালা শুভক্ষণে অতি ॥
বিয়াৰ সম্ভাৰ মানে সবাকো যোগালা ।
মহা মহোৎসৱ সেহি বেলায়ে মিলালা ॥
নামে কন্যা চন্দ্ৰাৱতী নাহিকে উপাম ।
ৰূপে সুগুণে ঘোৰে যেন উৰ্ব্বশীৰ সম ॥
পাতিলন্ত দিব্য সভা মহা মনোহৰ ।
উৰুক-মুৰুক কৰি ফুৰে নাৰী-নৰ ॥
উঠিয়া দেউসন্ত শাস্ত্ৰ শৰ্ম্মাৰ উপৰে ।
ঢালিলন্ত শিৰত শাস্ত্ৰ পৰম আদৰে ॥
তাৰ অনন্তৰে আতা স্নানক কৰিলা ।
আনিয়া শাস্ত্ৰক পাছে পঢ়িব চাহিলা ॥

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

শুনা অৰ্জুনৰ ভ্ৰান্তি আন কাম ।
হৰিক হৃদয়ে ধৰি স্মৰা ৰাম নাম ॥
আমি মন্দ অধম পামৰ দুৰাচাৰ ।
কৰা কৃপা নাৰায়ণ ভৃত্যক তোমাৰ ॥
দাসৰো তোমাৰ প্ৰভু আমি হৈলো দাস ।
ইবাৰ কৰুণাময় নকৰা নৈৰাশ ॥
কৰাহা নিস্তাৰ প্ৰভু দুৰ্জ্জয় মায়াৰ ।
কতনো অছিলোঁ প্ৰভু সংসাৰ নিকাৰ ॥
আপদ বান্ধৱ ৰাম তযু সগুণ নাম ।
যেন মোৰ মুখে চৰে তাক অবিৰাম ॥
বিষ্ণু বিষ্ণু উচ্চাৰিয়ে সদা দিনে ৰাতি ।
তেৱেসে তৰিবা ভাই বিপদ ৰাতি ॥”

(বানান আৰু ছন্দ শ্ৰী শ্ৰীবৰবিষ্ণু আতাৰ চৰিত” ত যিদৰে আছে তেনেদৰে ৰখা হৈছে।)

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চিত্ৰঃ- ১




চুমৰীয়া সত্ৰৰ ৰাম-বিজয় নাটৰ আলোকচিত্ৰ

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চিত্ৰ ঃ- ২




ছমৰীয়া সত্ৰৰ মূল দৌলঘৰৰ সুৰণি আলোকচিত্ৰ



Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

চিত্ৰঃ-৩



ছমৰীয়া অঞ্চল গোৰক্ষাশ্ৰমৰ পুৰণি আলোকচিত্ৰ

HOD Assamese
Chhamaria Anchalik College

Principal
Chhamaria Anchalik College

## ৭.০ সামৰণি :-

মহাপুৰুষ শংকৰদেৱৰ এক অন্যতম অৱদান হিচাপে স্বীকৃত "সত্ৰ"ই অসমীয়া সমাজ জীৱনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়। ইয়াৰ নীতি-নিয়মবোৰে সমাজখনক সুশৃংখলিত কৰি ৰখাত সহায় কৰিছে।

তেনেদৰে প্ৰিয় শিষ্য মাধৱদেৱ আৰু এইজনা মহাপুৰুষৰ অন্যতম শিষ্য বৰবিষ্ণু আতাই প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ লগতে ইয়াৰ ওচৰে-পাজৰে থকা লোক সকলৰ উৎসৱ-পাৰ্বন পৰম্পৰাৰ লগতে প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে ইয়াত উপস্থাপন কৰা হৈছে।

বিজ্ঞানৰ উন্নতি আৰু ব্যস্ত জীৱনে আজিপুৰণি "কিছুমান নীতি নিয়ম ক্ৰমাই লোপ পাবলৈ বাধ্য কৰাইছে। যিটো সমাজৰ চলি পুৰণি ঐতিহ্য আৰু পৰম্পৰাৰ বাবে ভেবাৰ হৈ


Principal
Chhamaria Anchalik College
HOD Assamese
Chhamaria Anchalik College

উঠিছে এই বিধি সমস্যাই যে চুমৰীয়া সত্ৰক আৱৰি ধৰিছে তাক দূৰ কৰিব নোৱাৰি ।

এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনত চুমৰীয়া সত্ৰৰ আশে-পাশে থকা লোকৰ সকলৰ ৰীতি-নীতি, উৎসৱ পাৰ্বন, চুমৰীয়া সত্ৰৰ বিষয়ে লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। যিহেতু এই অঞ্চলৰ সকলো কাৰ্যসূচী শংকৰী নিয়মেৰে পালন কৰা হয় সেয়ে ইয়াৰ নীতি-নিয়মবোৰ অন্য অঞ্চলতকৈ বহুখিনি বেলেগ ।

আজি কালি বহুতো সৰু-সুৰা নিয়ম মানুহৰ ব্যস্ততাৰ জীৱনৰ কাৰণে লোপ পোৱা হৈ যাব ধৰিছে ।

এই ৰীতি-নীতি, উৎসৱ-পাৰ্বন, চুমৰীয়া সত্ৰৰ ইতিহাস আদিৰ বিষয়ে সাঁচি ৰাখিবলৈ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখন লিখা হৈছে । এই গৱেষণা পত্ৰখন লিখোঁতে হয়তো বহুখিনি কথা বাদ পৰি যাব পাৰে কাৰণ এই ক্ষুদ্ৰ গৱেষণাত সকলোবোৰ কথা লিখা সম্ভৱপৰ নহয় ।

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

## ৮.০ কৃতজ্ঞতা স্বীকাৰ :-

যি কোনো এটা কামত আগবাঢ়িবলৈ হলে অভিজ্ঞ ব্যক্তিৰ দিহা পৰামৰ্শ তথা সহায়ৰ প্ৰয়োজন হয়। "ছমৰীয়া সত্ৰৰ ঐতিহ্য আৰু পৰম্পৰা" বিষয় অধ্যয়ন কৰোঁতে লোক প্ৰতিটো ক্ষেত্ৰত উপযুক্ত দিহাপৰামৰ্শৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা সুশমা দাসলৈ ~~ক্ষ~~ অসমীয়া বিভাগৰ ড° গৌতম দাস, ড° লোহিত ৰাভা, বীৰেশ্বৰ দাস হঁতলৈ মই ধন্যবাদ জনালো।

Principal
Chhamaria Anchalik College

৮.০ সূচক ব্যক্তিৰ নাম আৰু ঠিকনা

| নাম | জীৱিকা | বয়স | ঠিকনা |
|---|---|---|---|
| কণিকা দাস | গৃহিণী | ৪১ | চুমৰীয়া সত্ৰ |
| জয়া মহন্ত | গৃহিণী | ৫০ | চুমৰীয়া সত্ৰ |
| ৰেণী মহন্ত | ভকত | ৬০ | চুমৰীয়া সত্ৰ |
| নলিনী কলিতা | ভকত | ৮৫ | চুমৰীয়া সত্ৰ |

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College

৯.০০ সহায়ক গ্ৰন্থ পঞ্জী

ড° প্ৰীতিকা দত্ত : বিবাহ প্ৰথা

অৰ্জুন চন্দ্ৰ দাস : মহাপুৰুষীয়া ধৰ্মৰ নৱ বস্তু

উমাকান্ত বোৰা : শ্ৰী শ্ৰী বৰ বিষুৱ আতাৰ চৰিত

গোবিন্দ বৈশ্য : দক্ষিণ কুলীয়া বৰ বিষুৱ আতা

Principal
Chhamaria Anchalik College

HOD Assamese
Chhamaria Anchalik College